
- যুৱ-ছাত্ৰ সমাজ আজি দিক ভ্ৰান্ত নেকি ?
- জাতীয় প্ৰশ্নৰ প্ৰসংগত
- যুগে যুগে সংগ্ৰাম

প্ৰথম বছৰ ঃ চতুৰ্থ সংখ্যা ঃ অক্টোবৰ - ১৯৯৮



OKDISCD

পদাতিকৰ পদূলীত

সম্পাদকীয়

# গোষ্ঠী সংঘাতে আমাৰ সমস্যা সমাধান কৰিবনে?

অসমত যদি জনগোষ্ঠীয় সংঘাত সমূহে তীব্ৰ ৰূপ ধাৰণ কৰিছে। এই মূহুৰ্ত্তত ভ্ৰাতৃ-হত্যা অসমৰ জনগোষ্ঠীয় সমাজৰ বাবে এটা খবৰ হৈ হে ৰৈছে। এই সংঘাত বহুতৰ বাবে এচাম মানুহৰ উদ্ভন্দালিৰ পৰিচয় যদিয়ো ইয়াৰো এক ঐতিহাসিক ভিত্তি আছে। ভাৰত বৰ্ষৰ তথাকথিত স্বাধীনতাৰ পিছত অসমত ৰাজনৈতিক আৰু সামাজিক ভাবে প্ৰাধান্য লাভ কৰিলে মধ্যবিত্তৰ এচাম সংকীৰ্ণ দৃষ্টিভঙ্গীৰ আৰু চিন্তাহীন লোকে। এইসকল মূলতঃ আছিল ভাষিক অসমীয়াৰ উচ্চ বৰ্ণৰ লোক। তেওঁলোকে জনগোষ্ঠীয় সমাজৰ অৰ্থনৈতিক আৰু সামাজিক দাবী আৰু ক্ষোভবোৰ সম্পূৰ্ণ আওকান কৰিলে। সেয়ে আজি অসমত দেখা দিয়া জনগোষ্ঠীয় বিক্ষোভ এটা আকস্মিক ঘটনা নহয়, ইয়াৰ গুৰি অতীজৰ গৰ্ভত। বৃটিছ সাম্ৰাজ্যবাদৰ কবলত গঢ় লৈ উঠা অসমৰ তথাকথিত জাতীয়তাবাদে অতীজৰে পৰা সন্দেহ, বিভেদ আৰু সংশয়ৰ ভাব হে সৃষ্টি কৰিলে। বৰ্তমানেও ভাষিক অসমীয়া মধ্যবিত্ত নেতৃত্ব জনগোষ্ঠীয় সংগ্ৰাম সমূহৰ প্ৰতি সহৃদয় নহয়। মধ্যবিত্তীয় নেতৃত্বৰ এই সংকীৰ্ণ দৃষ্টিভংগীয়ে আজিও জনগোষ্ঠীয় দ্বন্দ্বত সাৰ পানী যোগান ধৰি আহিছে।

বাস্তৱ ক্ষেত্ৰত অসমৰ সমূহ জনগোষ্ঠীৰ মাজত যি অৰ্থনৈতিক অনগ্ৰসৰতা সেয়াই হৈছে জনগোষ্ঠীয় ক্ষোভৰ মূল উৎস। তাৰ বাবে মূলতঃ দায়ী ভাৰত ৰাষ্ট্ৰৰ আগ্ৰাসী ঔপনিৱেশিক অৰ্থনীতি। যিহেতু আজি অসমত জনগোষ্ঠীসমূহৰ জাতীয় বিকাশৰ মূল অন্তৰাই ভাৰতীয় সাম্ৰাজ্যবাদ। সেয়েহে আজি সমূহ জনগোষ্ঠীয়ে ভাৰতীয় সাম্ৰজ্যবাদৰ এই কুচক্ৰান্তসমূহৰ বিপৰীতে নিজৰ জাতীয় বিকাশৰ স্বাৰ্থতেই আজি যুক্তিসংগত ভাবে জনগোষ্ঠীয় সংগ্ৰামসমূহ গা কৰি উঠিছে। এই জনগোষ্ঠীয় সংগ্ৰামসমূহ আজি গতি লাভ কৰাৰ লগে লগে এচাম জনগোষ্ঠীয় মধ্যবিত্ত আৰু ভাষিক অসমীয়া মধ্যবিত্তই নিজৰ ৰাজনৈতিক সুবিধা আদায়ৰ স্বাৰ্থত জনগোষ্ঠীয় আবেগ অনুভূতিক ব্যৱহাৰ কৰাত উঠি পৰি লাগিছে। লগতে ভাৰত ৰাষ্ট্ৰই সম্ভাব্য এক বৃহৎ বিদ্ৰোহৰ ভয়ত নিজৰ নিৰাপত্তাৰ স্বাৰ্থতেই জনগোষ্ঠীয় সংগ্ৰাম সমূহক ভাগ ভাগ কৰাত অগ্ৰণী ভূমিকা লৈছে। যাৰ ফলত আজি তীব্ৰ গোষ্ঠী সংঘৰ্ষই ক্ৰমে এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। এই সময়ত আজি অসমৰ সমূহ জনগোষ্ঠীয় নেতৃত্বই জনগোষ্ঠীয় লোকৰ দুখ লগা অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ মূল কাৰণ সমূহ বিশ্লেষণ কৰাৰ প্ৰয়োজন হৈ পৰিছে আৰু সমূহ জনগোষ্ঠীৰ আৰ্থসামাজিক উন্নয়নৰ বাবে একত্ৰিত হৈ সংগ্ৰাম তীব্ৰতৰ কৰাটোহে সময়ৰ দাবী। ❑



ঃ সাক্ষাৎকাৰ ঃ

# পৰিৱৰ্ত্তিত শিক্ষানীতিয়ে আমাক কি দিব?

**উৎপাদিকা শক্তি আৰু উৎপাদন সম্পৰ্কৰ দ্বন্দ্বৰ মাজেদিয়েই এখন সমাজে বিকাশ লাভ কৰে। উৎপাদিকা শক্তি সমূহৰ উন্নয়ণৰ লগে লগে পুৰণি উৎপাদন সম্পৰ্কবোৰ খাপ নোখোৱা হৈ পৰে আৰু সূচণা হয় সমাজ বিপ্লৱৰ ৰাজনীতি নিৰূপণ কৰে ব্যৱস্থা সমূহেই ৰাষ্ট্ৰৰ ৰাজনীতি নিৰূপণ কৰে আৰু গঢ়ি উঠে সমাজ-সংস্কৃতি। সেয়েহে অৰ্থনীতিয়েই এখন সমাজৰ হৃদপিণ্ড। আমাৰ ছাত্ৰ সমাজ এনে এখন সমাজৰে অংশ। গতিকে স্বাভাৱিকতে আমাৰ ছাত্ৰ সমাজ উৎপাদনৰ ক্ষেত্ৰখনত পৰোক্ষভাৱে হ'লেও জড়িত হ'ব লাগিব। কিন্তু বৰ্তমান অসমৰ ঔপনিবেশিকৰ সৃষ্ট শিক্ষা ব্যৱস্থাটোৱে ছাত্ৰ সমাজক উৎপাদনৰ প্ৰতি অনিহা আনি দিয়াতহে সফল হৈছে। ই ছাত্ৰ সমাজক কৰ্মৰ প্ৰতি উদাসিন কৰি তুলিছে। গতিকেই অসম তথা ভাৰতবৰ্ষত আজি মানৱ সম্পদৰ এই অপচয়। ভাৰতবৰ্ষৰ এই তথাকথিত ৰাষ্ট্ৰ ব্যৱস্থাটোৰ মানৱ সম্পদ বিকাশৰ সম্পৰ্কত কোনো গুৰুত্ব নাই। কৰিব লাগে বাবে শিক্ষা ব্যৱস্থাৰ তথাকথিত পৰিৱৰ্তন সাধাটোৱেই আজিৰ চৰকাৰৰ প্ৰধান উদ্দেশ্য হৈ পৰিছে। আকৌ যোৱা ৮ আগষ্ট '৯৮ তৰিখে উচ্চ শিক্ষা মন্ত্ৰী থানেশ্বৰ বড়োৱে অসমত নতুন শিক্ষা নীতি প্ৰৱৰ্তন কৰিছে, এই পৰিৱৰ্তীত শিক্ষা নীতিসমূহে সচাঁয়ে অসমৰ ছাত্ৰ সমাজক প্ৰকৃত মানৱ সম্পদ হিচাপে গঢ় দিব পাৰিবনে? এনে কিছু প্ৰশ্ন লৈ আমি কাষ চাপিছিলো কেইজনমান ছাত্ৰ আৰু শিক্ষকৰ, তাৰে সম্পাদিত অংশ এই সংখ্যাত প্ৰকাশ কৰা হ'ল — সম্পাদক**

আধুনিক বিশ্বত মানৱ সম্পদৰ অবাধ বিকাশ আৰু ইয়াৰ পূৰ্ণ মূল্যায়ণ সাপেক্ষ এক মানৱীয় পৰিৱেশ গঢ়ি তোলাটোকেই শিক্ষাৰ মহত্তম লক্ষ্য বুলি বিবেচনা কৰা হয়। গভীৰ অন্তৰ্দৃষ্টি আৰু মানসিক দিগন্ত প্ৰসাৰিত কৰাৰ এক বৈজ্ঞানিক বাতাবৰনত সময় সাপেক্ষ প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ প্ৰজন্ম একোটাক প্ৰস্তুত কৰি তোলাতেই শিক্ষাৰ সাৰ্থকতা নিহিত হৈ থাকে বুলি আমি বিশ্বাস কৰো। আজিৰ বিশ্ব পৰিস্থিতি আৰু অসমৰ দুৰ্ভগীয়া ৰাইজৰ প্ৰাত্যহিক জীৱনধাৰা উন্নীত কৰাৰ লক্ষ্য নিৰ্ধাৰণত চৰকাৰী শিক্ষানীতি স্বৰূপাৰ্থত এক আবৰ্জনা তথা হেঙাৰ হিচাবেহে থিয় দিছে। মানসিক আৰু বৌদ্ধিক স্বাধীনতা প্ৰতিমুহুৰ্ত্ততেই অনুভৱ কৰিব নোৱাৰাকৈ কৌশলেৰে



OKDISCD

গঢ়ি তোলা শিক্ষা ব্যৱস্থাত প্ৰজন্ম একোটাই কোনো কালে উধাব নোৱাৰে।

১৮১২ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বছৰি এক লাখ টকা ব্যয়ৰ লক্ষ্যেৰে ভাৰতত আৰম্ভ কৰা ঔপনিবেশিক শিক্ষানীতিয়েই আজিও ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ সকলো শিক্ষানীতিৰ আধাৰ হৈ আহিছে। পৰৱৰ্তী সময়ত বৃটিছে ভাৰতত গ্ৰহণ কৰা শিক্ষানীতিয়ে ভাৰতৰ মানুহক নামতহে ভাৰতীয় সজাব যদিও প্ৰকৃতাৰ্থত তেওঁলোক ইংৰাজহে হ'ব বুলি লৰ্ড মেক্‌লেই কোৱা কথাষাৰিৰ তাৎপৰ্য্য বৰ গভীৰ। ১৮৮২ চনত বহু তথাকথিত ভাৰতীয়ক সদস্য হিচাবে লৈ উইলিয়াম হাণ্টাৰৰ অধ্যক্ষতাত গঠিত শিক্ষা আয়োগৰ অনুমোদনাৱলী উপনিৱেশিকতা ৰক্ষণা-বেক্ষণা দিয়াৰ স্বাৰ্থতেহে আছিল। ক্ষমতা হস্তান্তৰৰ পিছত দেশীয় শাসকে গঠন কৰি দিয়া শিক্ষা আয়োগবোৰৰ পৰামৰ্শৱলী কিছুক্ষেত্ৰত সময়সাপেক্ষ আছিল যদিও সম্প্ৰসাৰণবাদী ভাৰতীয় শাসক মহলে তাক কাৰ্য্যকৰী নকৰিলে। আমোলা-নিৰ্ভৰ শিক্ষানীতি কাৰ্য্যকৰী কৰি চৰকাৰসমূহে প্ৰতিটো প্ৰজন্মৰ ভৱিষ্যত ধ্বংসৰ মুখলৈ ঠেলি দিয়াতহে আগভাগ ললে যোৱা একাৱন্ন বছৰত। সমাজৰ মেৰুদণ্ড শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে লোৱা এনে ভূমিকা অকল উদ্বেগজনকেই নহয়, ই নিতান্তই সমাজবিৰোধী। ভাৰতৰ তলতীয়া অসম চৰকাৰেও সমৱৰ্ত্তী সূচীৰ শিক্ষা বিভাগৰ জৰিয়তে বৃটিছৰ উপনিৱেশিক শিক্ষানীতিক আধাৰ কৰি লোৱা ভাৰতীয় শিক্ষা নীতি অসমত প্ৰসাৰিত কৰি আহিছে। শেহতীয়াকৈ অসম চৰকাৰে ঘোষণা কৰা নতুন শিক্ষানীতিৰ বিশ্লেষণ কৰোতেও এই সত্যক সন্মুখত ৰাখিব লাগিব। আচলতে শেহতীয়া শিক্ষানীতিও নতুন বটলত পুৰনা মদ ভৰাই ফটা ঢোল কোবোৱাৰ লেখীয়াহে কথা। সেই অৰ্থতেই এই শিক্ষানীতিৰ বিষদ বিশ্লেষণো নিষ্প্ৰয়োজন।

**খগেন তালুকদাৰ**
**প্ৰবক্তা, পূব নলবাৰী মহাবিদ্যালয়**

নতুন শিক্ষানীতি- কেৱল নতুন শিক্ষানীতিৰ নামত চৰকাৰে পাঠ্যক্ৰমৰ অলপ অদল বদল কৰিলেই শিক্ষা ব্যৱস্থাটোত কিবা সাংঘাটিক পৰিৱৰ্তন হ'ব - এনে আশা নকৰাটোৱেই ভাল। এতিয়ালৈকে যিমান বাৰ 'নতুন' শিক্ষানীতি প্ৰৱৰ্ত্তিত হ'ল - আমি দেখিলো 'পুৰণি'তকৈ তাত একো নতুনত্ব নাই। আমাৰ পাঠ্যক্ৰম এতিয়াও কৰ্ম সংস্কৃতি গঢ়ি তুলিব পৰাকৈ সাৰ্থক হোৱা নাই। বহুত প্ৰাসংগিক আৰু প্ৰয়োজনীয় কথা এতিয়াও বাদ পৰি আছে। ভ্ৰান্ত আৰু ভুল তথ্যও পাঠ্যক্ৰমত চলিছে। দৰকাৰী বিষয় বাদ দি দিয়া হৈছে। পাঠ্যক্ৰমৰ পৰা বুৰঞ্জী, ভূগোল বাদ দি দুয়োটাৰে অকন অকন মিহলাই সমাজ বিজ্ঞান নামেৰে নতুন এক পাঠ্যপুথিৰ প্ৰৱৰ্ত্তন কৰাৰ কথা কোৱা হৈছে। কিন্তু ইতিহাস আৰু ভূগোলৰ বিষয়ে জানিবলৈ সেইখিনি যথেষ্ট হ'ব নে? সঘনে শিক্ষানীতি সলনি হৈ থাকিলে চৰকাৰৰ, ইয়াৰ লগত জড়িত ব্যক্তি সকলৰ পূৰ্বৰ শিক্ষা নীতি যে অপ্ৰাসংগিক আছিল - সেয়েই বাৰে বাৰে প্ৰমাণ হয়। ছাত্ৰ-ছাত্ৰীয়ে যে সাংঘাতিক নতুন জ্ঞানেৰে উদ্ভাসিত হৈ উঠে - তেনেও নহয়। বৰঞ্চ একধৰণৰ হাৰাশাস্তিৰ সন্মুখীনহে হয়।

শিক্ষানীতি এটা নতুনকৈ প্ৰৱৰ্ত্তন কৰাৰ আগতে বা এটা চলি থকা শিক্ষা নীতি নাকচ কৰিবলৈ হ'লেও - প্ৰৱৰ্ত্তক সকলে গভীৰভাৱে চিন্তা-চৰ্চা কৰি লোৱা উচিত - ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থৰ খাতিৰত। যাতে শিক্ষা সাং কৰি ছাত্ৰ বা ছাত্ৰী জন সমাজৰ বোজা নহয় বৰং সম্পদ হে হয়। কিন্তু



আজি ইয়াৰ সম্পূৰ্ণ বিপৰীত প্ৰতিচ্ছবিহে আমি দেখিবলৈ পাওঁ।

**শ্ৰীপ্ৰনৱ কুমাৰ বৰ্মন**
**সম্পাদক কটনিয়ান**

অসমৰ জনগনৰ মৌলিক সমস্যাবোৰৰ ভিতৰত যুৱ-ছাত্ৰৰ সমস্যা এক উল্লেখযোগ্য সমস্যা। যুৱ-ছাত্ৰ সকলে তৎকালীনভাৱে সন্মুখীন হোৱা প্ৰধান সমস্যা হ'ল শিক্ষা গ্ৰহণৰ সমস্যা আৰু শিক্ষা গ্ৰহণৰ অন্তত সংস্থাপনৰ সমস্যা। উৎপাদনত অংশ গ্ৰহণাৰ্থে সংস্থাপনৰ বাবেই শিক্ষা দিয়া হয় যদিও শিক্ষা গ্ৰহণৰ অন্তত শিক্ষিত যুৱক নিৱনুৱা হৈ পৰাৰ কাৰণ হ'ল প্ৰচলিত শিক্ষা ব্যৱস্থাটোৱে যুৱছাত্ৰসকলক উৎপাদনমুখী শিক্ষা গ্ৰহণৰ সুযোগ দিয়া নাই। সেয়েহে যুৱ-ছাত্ৰসকলে উৎপাদনমুখী শিক্ষাৰ জৰিয়তে প্ৰকৃত শিক্ষা লাভৰ পৰা বঞ্চিত হৈ আছে আৰু যুৱ ছাত্ৰৰ মানসিক, বৌদ্ধিক আদি দিশ অবিকশিত হৈ আছে।

অসমত বৰ্তমান প্ৰচলিত হৈ থকা শিক্ষা ব্যৱস্থাৰ ভেটি নিৰ্মাণ হৈছিল বৃটিছ ঔপনিৱেশিক যুগতেই। ঔপনিৱেশিক শিক্ষা ব্যৱস্থাৰ উদ্দেশ্যই হ'ল - দেশৰ দৰিদ্ৰ জনগনক শোষণ, লুণ্ঠন কৰা। ঔপনিৱেশিক শিক্ষাৰ সুফল কেৱল সমাজৰ এমুঠি সুবিধাবাদী আৰু সম্পদশালী লোকসকলেহে ভোগ কৰিবলৈ পায়। বৃটিছে সাম্ৰাজ্যবাদৰ স্বাৰ্থত প্ৰচলন কৰা ঔপনিৱেশিক শিক্ষা ব্যৱস্থা আজিও অসমত প্ৰচলিত হৈ আছে।

বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থা কৰ্মবিমুখ, চাকৰিমুখী। এই শিক্ষা ব্যৱস্থাৰ লগত উৎপাদনৰ কোনো সম্পৰ্ক নাই। যাৰ ফলস্বৰূপে বছৰে বছৰে হাজাৰ হাজাৰ যুৱ-ছাত্ৰই নিবনুৱাৰ তালিকাত নাম লিখিবলৈ বাধ্য হৈছে। পুঁজিবাদী সমাজ ব্যৱস্থাত জ্ঞান আৰু যোগ্যতা সমাজ বিকাশৰ চাহিদা পূৰণত ব্যৱহৃত হোৱাৰ সলনি পুঁজিপাত শ্ৰেণীৰ স্বাৰ্থ সুৰক্ষাৰ বাবেহে ব্যৱহৃত হয়। ইয়াত পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থত শিক্ষা ব্যৱস্থা নিয়ন্ত্ৰিত হয়। পুঁজিপতি শ্ৰেণীৰ আদৰ্শৰ ভিত্তিতেই গঢ়ি তোলা হয় শিক্ষাৰ প্ৰকৃতি, লক্ষ্য, উদ্দেশ্য আৰু পাঠ্যক্ৰম আদি। পুঁজিবাদী ৰাষ্ট্ৰ ব্যৱস্থাত শিক্ষা এটা সুবিধা মাথোন অধিকাৰ নহয়। ইয়াত শিক্ষাৰ দুৱাৰ কেৱল ধনবন্তসকলৰ বাবেহে খোলা থাকে, শ্ৰমিক, কৃষক, সৰ্বহাৰাৰ ল'ৰা -ছোৱালীৰ বাবে নহয়। অসমৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থা বাস্তৱমুখীতা। জাতীয় ঐতিহ্যৰ পৰা ই বিচ্ছিন্ন। জীয়াই থকাৰ কঠোৰ সংগ্ৰাম, কেঁচামাটিৰ গোন্ধ, সমাজ জীৱনৰ বাস্তৱ ছবি, সাংস্কৃতিক বৈচিত্ৰ্য আদি এই শিক্ষা ব্যৱস্থাত পাবলৈ নাই। আছে কেৱল পুঁথিগত জ্ঞান, মুখস্ত বিদ্যা আৰু এখন চাৰ্টিফিকেট - বচ্ ইমানেই। এনে ধৰণৰ শিক্ষা ব্যৱস্থাই যুৱ-ছাত্ৰক প্ৰকৃত শিক্ষাৰে শিক্ষিত কৰি 'মানৱ সম্পদ' হিচাবে গঢ়ি তোলাৰ বিপৰীতে এক উশৃংখল যুৱ মানসিকতাৰহে সৃষ্টি কৰিব। শেহতীয়াভাৱে বুৰঞ্জী আৰু ভূগোল বিষয় দুটা স্কুলীয়া পাঠ্যক্ৰমৰ পৰা বাদ দিয়া হৈছে। যোৱা আঠ আগষ্টত উচ্চ শিক্ষা মন্ত্ৰী থানেশ্বৰ বড়োৱে অসম চৰকাৰৰ নতুন শিক্ষানীতি ঘোষণা কৰিছে। এই নতুন শিক্ষানীতিয়ে অসমৰ শিক্ষা জগতত কিছু প্ৰভাৱ পেলাব যদিও উৎপাদনৰ লগত কোনো সম্পৰ্ক নথকা হেতুকে এই নতুন শিক্ষানীতিয়ে অসমৰ ছাত্ৰ-ছাত্ৰীসকলক বিশেষ কিবা দিব বুলি আশা কৰিব নোৱাৰি। চৰকাৰে যিমানেই নতুন নতুন শিক্ষানীতি উদ্ভাৱন কৰি নাথাকক কিয়, উৎপাদন আৰু কৰ্মমুখী শিক্ষাৰ ওপৰত গুৰুত্ব নিদিয়ালৈকে অসমৰ ছাত্ৰ-ছাত্ৰীয়ে বিশেষ সুফল লাভ কৰিব নোৱাৰিব।



OKDISCD

বিশেষ নিবন্ধ

# যুগে যুগে সংগ্ৰাম

❑ নলিনী কোঁৱৰ

"শ্ৰমিকে যিমান বেচি উৎপাদন কৰে, সিমান নিজে কম ভোগ কৰে। যিমান তেওঁ মূল্য সৃষ্টি কৰে তিমানে তেওঁ নিজে হয় মূল্যহীন, মৰ্য্যাদাহীন। তেওঁ সৃষ্টি কৰা বস্তু যিমান সুন্দৰ হয়, তেওঁ নিজে হয় অসুন্দৰ।তেওঁ সৃষ্টি কৰা সমাজ যিমান সভ্য হয় তেওঁ নিজে হয় সিমানে বৰ্বৰ। তেওঁৰ শ্ৰম যিমান শক্তিশালী হয়, সিমান তেওঁ নিজে হয় শক্তিহীন। তেওঁৰ শ্ৰম যিমান সুক্ষ্ম হয় তেওঁ নিজে সিমান হয় স্থূল আৰু সিমানেই প্ৰাকৃতিক শক্তিৰ ওপৰত নিৰ্ভৰশীল হয়।শ্ৰমে সৌন্দৰ্য্য সৃষ্টি কৰে অথচ শ্ৰমিকক কৰে পঙ্গু, তেওঁক কৰি তোলে নিৰ্বোধ আৰু জড়দ্গৱ।" - (কাৰ্ল মাৰ্ক্স)

মানৱ সমাজত শ্ৰেণীবিভাজনৰ কিযে এক কৰুণ পৰিণতি। যি শ্ৰমিক শ্ৰেণীয়ে বিশ্বৰ মানৱ সম্প্ৰদায়ৰ ভৰণ-পোষণৰ দায়িত্ব অতীতৰ পৰা আজি পৰ্য্যন্ত বহন কৰি আহিছে, সেই মেহনতী খাটিখোৱা জনগনৰ এনে মৰ্মান্তিক অৱস্থাৰ বাবে দায়ী কোন? তেওঁলোকৰ ওপৰত চলি থকা অবিৰত শোষণ-নিৰ্য্যাতনৰ অৱসান অসম্ভৱ নেকি? ইতিহাস, সভ্যতাৰ চালিকাশক্তি এই শ্ৰমিক শ্ৰেণীৰ ওপৰত চলি থকা অবিৰাম শোষণ-অবদমনৰ প্ৰতিবাদী ধাৰাটো আজি কোনপথে? ছোভিয়েট ৰাছিয়া, ভিয়েটনাম, চীন প্ৰভৃতি শ্ৰমিক-কৃষকৰ নিয়ন্ত্ৰিত সমাজবাদী ৰাষ্ট্ৰবোৰৰ সাম্ৰাজ্যবাদী গোষ্ঠীটোৰ ওপৰত নিৰ্লজ্জ আত্মসমৰ্পণ, সনা-পোতকাই স্বাভাৱিকতে এনে প্ৰশ্নবোৰৰ প্ৰাসঙ্গিকতা বঢ়াই তোলে।

শ্ৰমজীৱি জনগন হ'ল মানুহে মানুহক কৰা দমন-নিৰ্য্যাতন, শোষণ-বঞ্চনা আৰু শোষকৰ স্বাৰ্থৰক্ষাৰ ইতিহাস। এটা সময় আছিল, নাছিল মানুহৰ মাজত শ্ৰেণীবিভাজন, সমাজত উৎপাদন হৈছিল তেনেই কম, জীৱন-যাপনৰ বাবে কৰিব লগা হৈছিল অশেষ কষ্ট, শ্ৰমৰ উৎপাদন ক্ষমতা আছিল নিম্নতম, নাছিল কোনো উদ্বৃত উপাদান। সেয়াই আছিল আদিম সাম্যবাদী সমাজ। নিয়মিত বল প্ৰয়োগ কৰাৰ আৰু বল প্ৰয়োগেৰে মানুহে মানুহক আয়ত্বাধীন কৰি ৰখোৱাৰ কোনো বিশেষ ব্যৱস্থা, ৰাষ্ট্ৰযন্ত্ৰ।

মানৱ জাতিৰ উৎপাদন শক্তিৰ ক্ৰমবিকাশৰ এক জটিল মুহূৰ্তত, সৃষ্টি হ'ল নগন্য পৰিমানৰ উদ্বৃত্তৰ। আৰম্ভ হ'ল উদ্বৃত্ত আত্মসাতৰ এক কূটিল ষড়যন্ত্ৰ। এচামে আন এচামৰ শ্ৰম শোষণ কৰাৰ, এচামে আন এচামক দমন কৰি ৰখোৱাৰ কুচকাৱাজ আৰম্ভ হ'ল। পৰিৱৰ্তিত সময়ত এচাম সবল মানুহে দুৰ্বলীসকলৰ উদ্বৃত্ত আত্মসাৎ কৰিলে আৰু দুৰ্বলীসকলক আয়ত্বাধীন কৰি ৰাখিবৰ বাবে এক বিশেষ ধৰণৰ সমাজ গঢ়ি তুলিলে। মানৱ সমাজত শ্ৰেণীবিভাজন কটকটীয়া হ'ল, সৃষ্টি হ'ল দুটা বিশেষ শ্ৰেণী - দাস আৰু মালিকৰ। আৰম্ভ হ'ল শ্ৰেণীশোষণৰ; মালিক শ্ৰেণীয়ে দাস শ্ৰেণীৰ শ্ৰম-শোষণৰ প্ৰক্ৰিয়াক স্থায়িত্ব দিবৰ বাবে ৰাষ্ট্ৰন্ত্ৰই গঢ়াৰ কুচকাৱাজ আৰম্ভ হ'ল। আৰু ই প্ৰতিস্থিত হ'ল, এই সমাজ-ব্যৱস্থাত দাস মালিকশ্ৰেণী উৎপাদন উপকৰণ - মাটি আৰু যন্ত্ৰপাতি প্ৰভৃতি সমস্ত সম্পত্তিৰেই মালিক হোৱাই নহয়, তেওঁলোক আনকি মানুহৰো মালিক হ'ল। দাসসকল মালিকৰ অস্থাৱৰ সম্পত্তিৰ লেখীয়া হ'ল। দাসসকলে কেৱল মালিকৰ বাবেই শ্ৰম কৰিব লগা হ'ল।

মানুহে মানুহক কৰা শোষণৰ বিকাশৰ লগে লগে শোষণ, অৱদমন, নিৰ্য্যাতনৰ পৰা মুক্তি লভাৰ মানুহৰ স্বভাৱজাত চৰিত্ৰৰ বাবেই শাসক আৰু শাসিতৰ মাজত দ্বন্দও আৰম্ভ হ'ল। শ্ৰেণীশোষণ তীব্ৰ হৈ পৰাৰ লগে লগে দাসসকল ক্ৰমাগতভাবে প্ৰচলিত ব্যৱস্থাটোৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিল। দাসসকলে মালিকশ্ৰেণীৰ বিৰুদ্ধে কৰা বিদ্ৰোহৰ বহুতো উদাহৰণ ইতিহাসত লিপিবদ্ধ হৈ আছে। তাৰে ৰোমান সাম্ৰাজ্যত দাসশ্ৰেণীৰ অন্যতম নেতা স্পাৰ্টাকাছৰ নেতৃত্বত সশস্ত্ৰ ঐক্যবদ্ধ দাসশ্ৰেণীবাহিনীৰ বিৰাট অভ্যুত্থান উল্লেখযোগ্য। এই বিদ্ৰোহবোৰ বিভিন্ন কাৰণত বিফল হৈছিল যদিও দাস সমাজত থকা মানুহৰ লগত মানুহৰ সম্পৰ্কৰ ধৰণবোৰ সলনি হ'ল আৰু আৰম্ভ হ'ল আন এক নতুন ধৰণৰ সমাজ ব্যৱস্থা-সামন্ততন্ত্ৰৰ। ক্ৰমবিকাশৰ ধাৰা অনুযায়ী বেছিভাগ দেশৰে ক্ৰীতদাস সকল ভূমিদাসত পৰিণত হ'ল। সমাজত শ্ৰেণীহিচাবে দেখা দিলে, সামন্ততান্ত্ৰিক জমিদাৰ আৰু কৃষক ভূমিদাস। এই সমাজ ব্যৱস্থাতো সমাজৰ সকলোক্ষেত্ৰতে সামন্ততান্ত্ৰিক জমিদাৰকেই একমাত্ৰ শাসক বুলি গণ্য কৰা হয় আৰু সমস্ত ৰাজনৈতিক অধিকাৰৰ পৰা কৃষক-ভূমিদাস শ্ৰেণীক বঞ্চিত কৰা হয়। অৱশ্যে কৃষি-ভূমিদাস সকল দাস শ্ৰেণীটোতকৈ যথেষ্ট মুক্ত হ'ল। কৃষক-ভূমিদাসসকল জমিদাৰ শ্ৰেণীৰ অস্থাবোৰ সম্পত্তিৰ লেখীয়া হৈ নাথাকিল। জমিদাৰে কৃষকক যিখিনি মাটি দিয়ে সেইখিনি মাটিত কৃষকজনে নিৰ্দিষ্ট কেইটামান দিনত নিজৰ কাম কৰিব পাৰে, বাকী খিনি দিনত তাৰ মালিকৰ স্বাৰ্থত কাম কৰিব লাগে বা কৰ-কাতল দিব লাগে। উৎপাদিত বস্তুৰ আদান-প্ৰদান কৰাৰ পৰিৱেশ সৃষ্টি হ'ল। ব্যৱসায়-বানিজ্যৰো সুযোগ-সুবিধা সৃষ্টি হ'ল। এনেবোৰ বাতাবৰন আপোনা-আপনি বা জমিদাৰ শ্ৰেণীৰ দয়াৰ ফলত গঢ় লোৱা নাছিল। একমাত্ৰ মেহনতী খাটিখোৱা শ্ৰেণীটোৰ মুক্তিৰ আকাংখ্যা, প্ৰচলিত ব্যৱস্থাটোৰ বিৰুদ্ধে বিযোদগাৰ, বিদ্ৰোহৰ ফলশ্ৰূতিত তেনেধৰণৰ বাতাবৰণবোৰ গঢ়ি তুলিব পাৰিছিল। মধ্যযুগটো ফহিয়াই চালে তেনেবোৰ সামন্ততন্ত্ৰ বিৰোধী কৃষক-শ্ৰমিকৰ বিদ্ৰোহবোৰ উনুকিয়াব পাৰি। ক'ৰবাত ক'ৰবাত এনেবোৰ বিদ্ৰোহে ব্যাপক আকাৰ ধাৰণ কৰিছিল, গৃহযুদ্ধৰো ৰূপ লৈছিল। কৃষক-শ্ৰমিকৰ এনেবোৰ ক্ৰমাগত বিদ্ৰোহৰ ফলত সামন্ততন্ত্ৰৰ ভেঁটি কপাই তুলিছিল।

সামন্ততান্ত্ৰিক সমাজত দেখা দিয়া আদান-প্ৰদান আৰু ব্যৱসায়-বানিজ্যৰ সুযোগ-সুবিধা বঢ়াৰ লগে লগে কিছু কিছু মানুহৰ হাতত পুঁজি জমা হ'বলৈ ধৰিলে। মধ্যযুগৰ শেষৰফালে আমেৰিকা আৱিস্কাৰৰ পিছত বিশ্ব-বানিজ্যৰ ব্যাপক প্ৰসাৰ ঘটিল, মূল্যৱান ধাতুদ্ৰব্যৰ পৰিমান বৃদ্ধি পালে, সোন-ৰূপো আদান প্ৰদানৰ মাধ্যম হৈ পৰিল আৰু যেতিয়া মুদ্ৰাৰ প্ৰচলন হ'ল একো একোজন মানুহৰ হাতত অজস্ৰ সম্পত্তি থকাটো সম্ভৱ হৈ পৰিল। লাহে লাহে জমিদাৰ শ্ৰেণীৰ অৰ্থনৈতিক ক্ষমতা কমি আহিল আৰু নতুন শ্ৰেণী পুঁজিপতিৰ ক্ষমতা বাঢ়িবলৈ ধৰিলে। স্বাধীনতাৰ ধ্বনি তুলি ভূমিদাসত্বৰ বিৰুদ্ধে, পুৰনি সামন্ততান্ত্ৰিক সমাজ ব্যৱস্থাৰ বিৰুদ্ধে আগবাঢ়ি আহিল সমাজ। সামন্ততন্ত্ৰ অষ্টাদশ শতাব্দীৰ শেষৰফালে আৰু উনবিংশ শতাব্দীৰ প্ৰথমাৰ্ধত ধ্বংস হৈ গ'ল। অৱশ্যে কিছু কিছু দেশত ইয়াৰ অৱশিষ্ট কিছু থাকি গ'ল (যিবোৰ দেশত সামন্ততন্ত্ৰই পুঁজিৰ লগত প্ৰত্যক্ষ সংঘাতৰ মুখামুখি হোৱা নাছিল) গঢ়ি উঠিল পুঁজিবাদী সমাজ ব্যৱস্থা। সমাজৰ নিয়ন্ত্ৰক হৈ পৰিল পুঁজিপতি শ্ৰেণীটো। সমাজৰ পৰা সামন্ততন্ত্ৰক উচ্ছেদ কৰি পুঁজিপতি শ্ৰেণীটোৱে তাৰ ঠাই পাৰি





OKDISCD

বহিল। শ্ৰম শোষণৰ মাধ্যম হৈ পৰিল মুদ্ৰা। সামন্ততন্ত্ৰৰ যুগত যিসকল কৃষক বিচ্ছিন্ন আৰু পদানত হৈ পৰিছিল, পুঁজিবাদে দেখা দিয়াৰ ফলত এওঁলোকৰ সংখ্যাগৰিষ্ঠ অংশ সৰ্বহাৰাত পৰিণত হ'ল আৰু সংখ্যালঘু অংশটো হৈ পৰিল ধনী কৃষক এওঁলোকেই গ্ৰাম্য-বুৰ্জোৱা, নিজেই নিজৰ মজুৰি খাটে। আনহাতে সৰ্বহাৰাসকলে, শ্ৰমজীৱীসকলে কেৱল নিজৰ শ্ৰমশক্তি, নিজৰ কৰ্মপটু হাত দুখনিৰে শ্ৰম বিক্ৰী কৰিহে জীৱন নিৰ্বাহৰ ব্যৱস্থা কৰিব পাৰে। মুঠতে সমাজৰ উৎপাদন ব্যৱস্থা নিয়ন্ত্ৰণ এমুঠিমান লোকৰ হাতলৈ গ'ল। বাহিৰৰ মুকলি পৰিৱেশ দেখি ভাব হয় পুঁজিবাদী ৰাষ্ট্ৰত যেন যথেষ্ঠ স্বাধীনতা আছে। সাৰ্বজনীন ভোটাধিকাৰ, ব্যক্তিগত সম্পত্তিৰ অধিকাৰ, স্বাধীনতা, গণতন্ত্ৰ ইয়াৰ শাসনৰ ভিত্তি বুলি ঘোষনা কৰিলেও গৰীব কৃষক আৰু শ্ৰমিক শ্ৰেণীক দমন কৰি ৰাখিবৰ বাবে এনোবোৰ ৰাষ্ট্ৰ পুঁজিপতি শ্ৰেণীৰ হাতৰ পুতলা সদৃশ্য হৈ বৈ গ'ল। এঞ্জেলচৰ "পৰিয়াল, ব্যক্তিগত সম্পত্তি আৰু ৰাষ্ট্ৰৰ উৎপত্তি" নামৰ গ্ৰন্থত কোৱা হৈছে - " ৰাষ্ট্ৰষ মাটি আৰু উৎপাদন প্ৰক্ৰিয়াৰ ওপৰত ব্যক্তিগত মালিকানা প্ৰতিস্থিত, তাত আছে পুঁজিৰ প্ৰভূত্ব সেই ৰাষ্ট্ৰ যিমানেই গণতান্ত্ৰিক নহওক কিয় সেই ৰাষ্ট্ৰ হৈছে পুজিবাদী ৰাষ্ট্ৰ, শ্ৰমিকশ্ৰেণী আৰু গৰীব কৃষকক পুঁজিপতি শ্ৰেণীৰ আয়ত্বাধীন ৰখাৰ যন্ত্ৰ, তাত সাৰ্বজনীন ভোটাধিকাৰ, গঠন পৰিষদ পাৰ্লিয়ামেন্ট ইত্যাদিবোৰ একো একোটা বাহ্যিক আৱৰণ মাথোন, একধৰণৰ পৰিচয়পত্ৰ, ইয়াৰ দ্বাৰা প্ৰকৃত বিষয়বস্তুৰ কোনো সাল সলনি নঘটে।" পুঁজিৰ অস্তিত্ব থাকিলে সি সমগ্ৰ সমাজৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবই। আনকি কোনো গনতান্ত্ৰিক প্ৰজাতন্ত্ৰ বা কোনোধৰণৰ ভোটাধিকাৰেও তেতিয়া তাৰ আচল অৱস্থাটিৰ সলনি কৰিব নোৱাৰে লেনিন।" এইবোৰেই হ'ল, বৰ্তমান পুঁজিবাদী সমাজ-ব্যৱস্থাৰ বৈশিষ্ট।

পুঁজিবাদে সামন্ততন্ত্ৰৰ পৰা বিৰাট প্ৰগতিশীল অগ্ৰগতিৰ পৰিচয় দিয়ে বুৰ্জোৱা গনতন্ত্ৰ, পাৰ্লিয়ামেন্ট, সাৰ্বজনীন ভোটাধিকাৰ সমূহে , এইবোৰৰ ফলতেই শ্ৰমিক শ্ৰেণীৰো প্ৰগতিশীল অগ্ৰগতি সম্ভৱ হৈ পৰিল। ইয়াৰ ফলতেই সৰ্বহাৰা শ্ৰেণীৰ ঐক্য আৰু সংহতি স্থাপন কৰা সম্ভৱ হ'ল, তেওঁলোকৰ মাজত শ্ৰেণীচেতনা আৰু শৃংখলাবোধ জগাই তোলা দেশে দেশে শ্ৰমিক শ্ৰেণীৰ পাৰ্টি গঢ়ি তোলা, আনকি পুঁজিবাদৰ বিৰুদ্ধে শ্ৰমিক আৰু মেহনতী জনতাৰ বিশ্বজোৰা সংগ্ৰাম গঢ়ি তোলা সম্ভৱ হ'ল। দাস সকলে , কৃষক ভূমিদাসসকলে বিদ্ৰোহ, সংঘৰ্ষ, গৃহযুদ্ধৰ সুচনা কৰিব পাৰিছিল যদিও সংগ্ৰামৰ নেতৃত্ব দিবলৈ পাৰ্টি গঢ়ি তোলা আৰু সমাজৰ অধিকাংশ লোকক শ্ৰেণী সচেতন কৰি তুলিবলৈ কেতিয়াও সক্ষম হোৱা নাছিল, তেওঁলোকৰ নিজৰ প্ৰকৃত উদ্দেশ্যকেই সম্যকভাৱে উপলব্ধি কৰিব পৰা নাছিল, আনকি ইতিহাসৰ বৈপ্লৱিক মহুৰ্ততো তেওঁলোক চিৰদিন শাসক শ্ৰেণীৰ হাতত ডবাখেলৰ গুটিৰ লেখীয়া হৈ আছিল। "বিশ্বৰ শ্ৰমিক এক হওক" শ্লোগানেৰে পূৰ্বৰ ছোভিয়েট ৰাছিয়াকে ধৰি বহুবোৰ দেশত বিশ্বজোৰা শ্ৰমিক আন্দোলন সৰ্বহাৰাশ্ৰেণীৰ নেতৃত্বত আগবাঢ়িল। বহুদেশত গঢ়ি উঠিল শ্ৰমিক শ্ৰেণীৰ কমিউনিষ্ট পাৰ্টি আৰু সিঁহতৰ অধীনত ট্ৰেড ইউনিয়নবোৰ। ছোভিয়েট ৰাছিয়াত পোন প্ৰথম বাৰৰ বাবে সৰ্বহাৰাশ্ৰেণীৰ নেতৃত্বত সমাজতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠিত হ'ল। তাৰ পিছত চীন প্ৰজাতন্ত্ৰ, কিউবা, ভিয়েটনাম ইত্যাদি ৰাষ্ট্ৰবোৰত শ্ৰমিক-কৃষকৰ পাৰ্টিৰ নিয়ন্ত্ৰন প্ৰতিষ্ঠিত হৈছিল যদিও সাম্ৰাজ্যবাদী গোষ্ঠীৰ অহৰহ অপপ্ৰচাৰ, ষড়যন্ত্ৰ, পাৰ্টি-নেতৃত্বৰ দুৰ্বলতা, আৰু চৰম বিশ্বাসঘাতকতাই শ্ৰমিক কৃষকৰ শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠাৰ সংগ্ৰামৰ গতিশীলতাত সাময়িক স্থবিৰতাই দেখা দিছে।

পুঁজিবাদ আৰু সমাজতন্ত্ৰৰ দ্বন্দ্ব-সংঘাতৰ আজিৰ এই জটিল মূহুৰ্তত পুঁজিবাদে বিশ্বত নিজৰ আধিপত্য বিস্তাৰ কৰি ৰাখিবলৈ সক্ষম হৈছে যদিও পুঁজিবাদৰ পতন যে অৱশ্যম্ভাৱী সেয়া



আজিৰ পুঁজিবাদী ৰাষ্ট্ৰবোৰৰ অৰ্থনৈতিক দুৰ্গবোৰৰ সংকট সমূহেই সকিয়ায়। সাম্ৰাজ্যবাদ ভিতৰি ভিতৰি সম্পূৰ্ণ ফোপোলা হৈ পৰিছে। মহান বিপ্লৱী নেতা মাও চে তুঙে কৈছে "বৰ্তমান যুগ হ'ল সাম্ৰাজ্যবাদৰ চুড়ান্ত পতনৰ যুগ ...।" নিশ্চিত এই পতনৰ পৰা ৰক্ষা পাবৰ বাবেই ই কেতিয়াবা প্ৰত্যক্ষভাৱে যুদ্ধত লিপ্ত হয় আৰু কেতিয়াবা পৰোক্ষ ভাৱে অইন দেশত গৃহযুদ্ধ বা চুবুৰীয়া দেশবোৰৰ মাজত যুদ্ধ লগাই দিছে। কিন্তু প্ৰত্যক্ষ যুদ্ধত অৱতীৰ্ণ হ'লে সাম্ৰাজ্যবাদী শক্তিসমূহৰ লাভৰ লগতে প্ৰচুৰ লোকচানো হয়। কোনোবা সাম্ৰাজ্যবাদী শক্তি সম্পূৰ্ণৰূপে পংগু হৈ পৰে। সেয়ে সাম্ৰাজ্যবাদী শক্তিবোৰে নিজৰ আভ্যন্তৰীন সংকট সমাধান কল্পে এটা সাময়িক বুজাবুজিৰ ক্ষেত্ৰলৈ আহিব খোজে। যাৰ ফলত জন্ম হৈছে ৰাষ্ট্ৰসংঘ, বিশ্ব বেংক, বিশ্ব বানিজ্যিক সংস্থা, আন্তৰ্জাতিক মূদ্ৰা কোষ, আদিৰ দৰে সংস্থা। বৰ্তমান শতিকাৰ যাঠিৰ দশকৰ মাজভাগৰ পৰা শিল্পোন্নত দেশবোৰে এক ব্যাপক অৰ্থনৈতিক সংকটত পৰিছে। উদাহৰণ হিচাবে ১৯৭০-৮০ চনৰ ভিতৰত ফায়াৰষ্টোন, গুডইয়াৰ, বেথলেহেম ষ্টিল আদি বৃহৎ বহুজাতিক কোম্পানীবোৰে সিঁহতৰ কাৰখানা বন্ধ কৰিবলৈ বাধ্য হৈছে। ১৯৭৮-৮২ চনৰ ভিতৰত বৃহৎ উদ্যোগত কৰ্মৰত ৭০,০০০ ৰো অধিক শ্ৰমিকে তেওঁলোকৰ কাম হেৰুৱায়। ডাঙৰ, বিপনী কেন্দ্ৰ আৰু চুপাৰ মাৰ্কেটসমূহ বন্ধ হৈ পৰে। আৰ্থিক মন্দাৱস্থাৰ বাবে ১৯৯২ চনৰ আৰম্ভণিতে পৃথিৱীৰ আটাইতকৈ বৃহত্তম বহুজাতিক কোম্পানী "জেনেৰেল মটৰচ" এ উত্তৰ আমেৰিকাৰ ৩,৯৪,০০০ জন শ্ৰমিকৰ ভিতৰত ৭৪,০০০ জন শ্ৰমিকক কৰ্মচ্যুত কৰে আৰু ২০ টা কাৰখানা বন্ধ কৰি দিয়ে। এই অৱস্থাৰ পৰা মুক্তি পাবলৈ আমেৰিকাকে ধৰি অইন সাম্ৰাজ্যবাদী দেশসমূহে নতুন পৰিকল্পনা কৰিলে উৎপাদন ব্যয় কমাই মুনাফাৰ হাৰ বৃদ্ধি কৰা। তাৰবাবে বাছি ললে তৃতীয় বিশ্বৰ দেশসমূহক। কাৰণ, তৃতীয় বিশ্বত আছে সস্তীয়া শ্ৰম শক্তি, সস্তীয়া কেঁচামাল আৰু বৃহৎ বজাৰ। অন্যহাতে পৰিৱেশ প্ৰদূষনকাৰী শিল্পসমূহো তৃতীয় বিশ্বলৈ চালান কৰিলে। এনেবোৰ সাম্ৰাজ্যবাদী শক্তিৰ স্বাৰ্থত ডাংকেল প্ৰস্তাৱ, গ্যেট চুক্তিৰ জৰিয়তে আৰ্থিক সংস্কাৰ বা বজাৰৰ বিশ্বায়নৰ ৰূপত তৃতীয় বিশ্বক সাঙুৰি পেলাইছে। মাও চে-তুঙে কৈছে - " বিপ্লৱেই আজিৰ যুগৰ প্ৰধান প্ৰবনতা আৰু তৃতীয় বিশ্বই হ'ল বিপ্লৱৰ মূল ধুমুহা কেন্দ্ৰ।" সেয়ে সাম্ৰাজ্যবাদী শক্তিবোৰে ত্ৰাসত তৃতীয় বিশ্বৰ জনগনক চলে-বলে কৌশলে বিভক্ত কৰি ৰাখিব বিছাৰিছে, সিঁচি দিছে অৰাজকতাৰ বীজ। আফ্ৰিকা মহাদেশত চলাইছে বিভিন্ন ষড়যন্ত্ৰেৰে গোষ্ঠীগত সংঘৰ্ষ। লাখ লাখ জনসাধাৰণ গৃহহাৰা হৈছে, ক্ষুধাৰ তাড়নাত, বেমাৰত পচি মৰিব লগা হৈছে। সৃষ্টি কৰিছে ইৰান-ইৰাকৰ যুদ্ধ, তালিবান মুছলীম মৌলবাদ। তথাপি বিপ্লৱৰ ঘূৰ্নিবতাহক সিঁহতে বাধা দি ৰাখিব পৰা নাই। নেপালত কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত খাটিখোৱা জনগণে দুৰ্নিবাৰ গতিৰে সাম্ৰাজ্যবাদ - সামন্তবাদৰ বিৰুদ্ধে যুদ্ধ কৰিছে। সেইদৰে পেৰু, কাম্বোদিয়া, ফিলিপাইন্স, ব্ৰহ্মদেশ, বাংলাদেশ, ভাৰতবৰ্ষকে ধৰি পৃথিৱীৰ নিপীড়িত, শোষিত, লাঞ্চিত, বঞ্চিত জনসাধাৰণে তেওঁলোকৰ নায্য অধিকাৰ প্ৰাপ্তিৰ আদায়ৰ বাবে কঠোৰ সংগ্ৰামত ব্ৰতী হৈছে। এনেদৰেই সমাজত শ্ৰেণীবিভাজন থকালৈকে, শোষণ-নিষ্পেষণ, দমন, নিৰ্য্যাতন থকালৈকে যুগে যুগে মানুহে এইবোৰৰ বিৰুদ্ধে সংগ্ৰাম ধাৰাবাহিকভাৱে কৰি আহিছে আৰু কৰিও থাকিব তাক ইতিহাসে বাৰে বাৰে সোঁৱৰাই দিয়ে। □



OKDISCD

# জাতীয় প্ৰশ্ন প্ৰসংগত ঃ
# জাতি, জাতিসমস্যা, জাতীয়তাবাদ

□ সমীৰণ বৰুৱা

*এই শিতানত ৰাজনীতি বিজ্ঞানৰ বিভিন্ন বিষয়ৰ সংজ্ঞা সমূহৰ লগত নতুন পাঠক সকলক চিনাকি কৰাই দিয়াৰ চেষ্টা চলোৱা হ'ল। বৰ্তমানে কিছু সংখ্যক চিঠিপত্ৰ হাতত পৰিছে। ন-পাঠক সকলে চিঠিৰ জৰিয়তে এই আলোচনাত অংশ গ্ৰহণ কৰিব বুলি আমি আশা কৰিলো।* – সম্পাদক, পদাতিক।

যোৱা সংখ্যাত জাতি সম্পৰ্কীয় আলোচনাটোত জাতি এটা গঠন হ'বলৈ যি কেইটা উপাদানৰ কথা উল্লেখ কৰা হৈছিল উক্ত উপাদান কেইটাৰ প্ৰথমটো হ'ল "ঐতিহাসিক ভাৱে সন্মিলিত এক সুস্থিৰ জনসমষ্টি।" কেইগৰাকীমান পত্ৰলেখক আৰু আমাৰ এগৰাকী জেষ্ঠ বন্ধুৱে জনাইছে যে এই উপাদানটোত উল্লেখ কৰা "সন্মিলিত" শব্দটোৰ পৰিৱৰ্তে "সংমিশ্ৰিত" হ'ব লাগে। সহৃদয় পত্ৰলেখক আৰু বন্ধুজনলৈ ধন্যবাদ জনালো। প্ৰকৃততেই ই সন্মিলিত নহৈ সংমিশ্ৰিতহে হ'ব পাৰে। কিন্তু সন্মিলিত জনসমষ্টিটোৰ ৰূপ হ'ব য'ত জনগোষ্ঠী সমূহৰ স্বেচ্ছামুলক (Willfull) Assimilation (জাহযোৱাৰ নীতি) হ'ব। কিন্তু জাতি এটা গঠন হোৱাৰ পথত বিভিন্ন কাৰিকৰী অৰ্থাৎ অৱস্থানগত অৱস্থাৰ বাবেই বৰ্তমান সম্ভৱ নহয়।

জাতি গঠন হোৱাৰ পথত সম্পূৰ্ণ প্ৰাকৃতিক কাৰণ আৰু ওচৰা ওচৰিকৈ বসবাস কৰাৰ ফলত হোৱা মানসিক সম্পৰ্কৰ ফলতেই এই সমন্বয়ৰ প্ৰক্ৰিয়া আৰম্ভ হয়। বিভিন্ন প্ৰাকৃতিক কাৰণবোৰ, যেনে বিনিময়ৰ বাবে পৰস্পৰৰ প্ৰতি নিৰ্ভৰশীলতা ইত্যাদি নানা কাৰক সমূহেই জনগণৰ পৰস্পৰৰ পিনে ক্ৰমান্বয়ে ওচৰ চপাই নিয়ে। (মূলতঃ বাধ্য হয়) মূলতঃ বিনিময়ৰ বাবেই (সকলো বৈষয়ীক প্ৰয়োজনকে অকলশৰীয়াকৈ কোনেও উৎপাদন কৰিব নোৱাৰাৰ বাবে বিনিময় প্ৰথাৰ প্ৰচলন হয় আৰু সেই দিশটোৰ প্ৰতি দৃষ্টি ৰাখিয়েই) সমাজত ইজনে সিজনৰ লগত সেই সম্পৰ্ক কৰিব লগীয়া হয়। যেতিয়া ওচৰা ওচৰিকৈ বস-বাস কৰা লোকসকলে সদায়েই এনেদৰে সম্পৰ্ক ৰক্ষা কৰিব লগীয়া হয় তেতিয়া আপোনা-আপুনিয়েই এক মানসিক বুজাবুজিৰ পৰিৱেশ ৰচনা হয়। এই মানসিক সমিল মিলৰ মাজেৰে বিশ্বাস আৰু পাৰস্পৰিক সহযোগিতা তথা আস্থাৰ মূল্যবোধ এটাই গঢ় লৈ উঠে। এইদৰে বিভিন্ন সামাজিক কাৰকবোৰৰ উপস্থিতিৰে সংমিশ্ৰণৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু সমাজেই সেই নিৰ্দিষ্ট জনসমষ্টিটোৰ মাজত নিজে নজনাকৈয়ে উমৈহতীয়া আচৰণ, মূল্যবোধ তথা সংস্কৃতিৰ গঢ় লৈ উঠে। ইয়াত নিজে জানি-শুনি অৰ্থাৎ স্বেচ্ছামূলকভাৱে সহযোগিতাৰ প্ৰক্ৰিয়া গঢ়ি নুঠে বৰঞ্চ স্বাভাৱিক আৰু বিৱৰ্তনিক গতিৰেহে সংমিশ্ৰণৰ প্ৰক্ৰিয়া গঢ়ি উঠে। সেয়েহে এই প্ৰক্ৰিয়াক সন্মিলনৰ প্ৰক্ৰিয়া হিচাবে অভিহিত কৰাতকৈ সংমিশ্ৰণৰ প্ৰক্ৰিয়া বুলি অভিহিত কৰাটোহে অধিক যুক্তিসংগত হ'ব।

অন্যহাতেদি সন্মিলনৰ প্ৰক্ৰিয়াটোনো কি? সন্মিলনৰ প্ৰক্ৰিয়াত প্ৰকৃততে কোনো কোনো জনগোষ্ঠীয়ে ইচ্ছাকৃত ভাবেই সুকীয়া এক জাতি গঠনৰ বাবে Assimilated হ'বলৈ আগবাঢ়ে। এই ক্ষেত্ৰত অৱশ্যে জনগোষ্ঠীটোৰ ভাষা সংস্কৃতিত কোনো ধৰণৰ আগ্ৰাসন যাতে নচলে বা আনে অৰ্থাৎ যিয়ে এই Assimilation প্ৰক্ৰিয়াত সাংগঠনিকভাৱে পৃষ্ঠপোষকতা কৰে সেই পৃষ্ঠপোষক শক্তিৰ দ্বাৰা যাতে নিষ্পেষিত হ'ব লগীয়া নহয় তাৰ প্ৰতি সম্পূৰ্ণ সজাগ দৃষ্টি ৰাখিহে এটা জাতি গঠন প্ৰক্ৰিয়া "সন্মিলনৰ" ধাৰণাৰে আৰম্ভ হয়। এনে ঘটনাৰ দৃষ্টান্ত পৃথিৱীত অতি বিৰল যদিও এনে প্ৰচেষ্টা বলচেভিক বিপ্লৱৰ পাছত চোভিয়েত ৰাচিয়াত ৰুচ জাতিৰ নেতৃত্বত আৰম্ভ হৈছিল। কিন্তু সেহলৈ ৰুচ জাতিৰ বুৰ্জোৱা সকলৰ উগ্ৰ জাতীয়তাবাদী মানসিকতাৰে অন্যান্য জাতি জনগোষ্ঠীসমূহৰ ওপৰত আগ্ৰাসী মনোভাব লোৱাৰ ফলত এনে ঐতিহাসিক প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ উঠাত বাধা হৈ পৰিল।

**যেতিয়া ওচৰা ওচৰিকৈ বস-বাস কৰা লোকসকলে সদায়েই এনেদৰে সম্পৰ্ক ৰক্ষা কৰিব লগীয়া হয় তেতিয়া আপোনা-আপুনিয়েই এক মানসিক বুজাবুজিৰ পৰিৱেশ ৰচনা হয়। এই মানসিক সমিল মিলৰ মাজেৰে বিশ্বাস আৰু পাৰস্পৰিক সহযোগিতা তথা আস্থাৰ মূল্যবোধ এটাই গঢ় লৈ উঠে।**

এই প্ৰসঙ্গতে পঢুৱৈ সকলৰ পৰা অধিক মন্তব্য আৰু গঠনমূলক সমালোচনা তথা পৰামৰ্শ আশা কৰিছো।

ঐতিহাসিক ভাবেই এটা জাতি গঠন হোৱালৈ অৰ্থাৎ এটা জনসমষ্টিয়ে জাতি বুলি নিজকে দাবী কৰিব পৰা হোৱালৈকে বহুকেইটা ঢাপ অতিক্ৰম কৰি আহিব লগীয়া হয়। কাৰণ অতীজৰে পৰা পৃথিৱী খনত ইমান জাতিৰ সমাহাৰ নাছিল। অৰ্থাৎ আমি ইয়াকে কব বিচাৰিছো যে বান্দৰৰ পৰা ক্ৰমবিৱৰ্তনৰ মাজেৰে মানুহ নামৰ এবিধ প্ৰাণীৰ উৎপত্তি হোৱাৰ পিছতেই জাতিবোৰ সৃষ্টি হোৱা নাছিল। আনহাতে ইও সত্য যে জাতি এটা আকাশৰ পৰা সৰিও পৰিব নোৱাৰে। ঐতিহাসিকভাবেই হোৱা সংমিশ্ৰণৰ প্ৰক্ৰিয়াতহে এটা জাতি গঠন হৈছে। তাৰমানে জাতি এটা গঠন হোৱাৰ পথত বহুবোৰ স্তৰ আছে যিবোৰ অতিক্ৰম কৰি আহিহে জনসমষ্টি এটাই জাতিৰ শাৰীত বিশ্বদৰবাৰত উপনীত হয়। জনসমষ্টি এটা সৃষ্টি হোৱাৰ পথতো বহুবোৰ স্তৰ আছে যিবোৰ সম্পৰ্কত আলোচনা নকৰিলে জাতি সম্পৰ্কীয় সমগ্ৰ আলোচনাই আধৰোৱা হৈ ৰ'ব।

তেন্তে এনে কি বোৰ স্তৰ আছে যিবোৰৰ আলোচনা একান্ত প্ৰয়োজনীয়? □

(অহা সংখ্যাত)

# যুৱ-ছাত্ৰ সমাজ আজি দিক ভ্ৰান্ত নেকি ?

❑ মন্টু শইকীয়া

**অসমৰ** আজি আৰ্থ ৰাজনৈতিক পৰিস্থিতিয়ে এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। এই সময়ত অসমৰ বিভিন্ন সমস্যাবোৰ সমধানৰ বাবে বিভিন্ন জনে বিভিন্ন মতামত আগ বঢ়াই আহিছে। এই সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত যুৱ চামৰ ভূমিকাৰ প্ৰশ্নটো বৰ্তমানে অতি গুৰুত্বপূৰ্ণ·প্ৰশ্ন হিচাবে থিয় দিছে। লগতে এই সমস্যাবোৰৰ সমাধানৰ উৎস বিচাৰি যুৱ-ছাত্ৰ সমাজ দিক ভ্ৰান্তিত ভুগিছে বুলি। আজি কিছুৱে কব খুজে এই পৰিবেশত যুৱ-ছাত্ৰ চাম সচায়ে দিক ভ্ৰান্ত হৈছে নেকি ?নিজৰ মানসিক, বৌদ্ধিক চিন্তা চৰ্চাৰ উৎকৰ্ষ সাধনত সময়ৰ তাৰনাত বিফল হৈছে নেকি ? অসমৰ এই পৰিবেশত চিন্তাশিল ব্যক্তি, বয়োজেষ্ঠ সকলে আজি নিৰবে বহি আছে নেকি ? সমাজৰ প্ৰতি তেওঁলোকৰ কৰিব লগা খিনিৰ পৰা আঁতৰি আহিছে বুলি আজি বিভিন্ন জনে মতামত দিছে। আজি আমাৰ মনত খুদুৱনি লগাই থকা বিভিন্ন প্ৰশ্ন সামৰি আমি কাষ চাপিছিলো যোৰহাট তিতাবৰৰ সাহিত্য একাডেমী বঁটা বিজয়ী শ্ৰীযুক্তা বসুন্ধৰা শইকীয়া, নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত জীৱন চন্দ্ৰ ভাগৱতী, প্ৰবক্তা চৈয়দ মঃ মহছীন আৰু অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক শ্ৰীযুত ডিম্বেশ্বৰ গগৈ দেৱৰ। আমাৰ প্ৰশ্ন সমূহৰ ওপৰত তেওঁলোকৰ মতামতৰ সম্পাদিত অংশ প্ৰকাশ কৰা হ'ল।

আমাৰ প্ৰশ্ন সমূহ ঃ

১/ অসমৰ সমাজ জীৱনৰ বিভিন্ন ইচ্ছু সমূহৰ সন্দৰ্ভত ইয়াৰ যুৱচামৰ সাম্প্ৰতিক পৰিস্থিতিত ভূমিকা কেনে হোৱা উচিত বুলি আপুনি ভাৱে ?

২/ সাম্প্ৰতিক অসমৰ পৰিস্থিতিৰ পৰিপেক্ষিতত ইয়াৰ যুৱচাম দিক ভ্ৰান্তিত ভুগিছে বোলে কথাষাৰৰ সত্যতা আপোনাৰ দৃষ্টিত কিমান ? যদি সত্য, ইয়াৰ কাৰণ আৰু সামাধানৰ উপায় কি হ'ব ?

৩/ প্ৰগতিশীলতাৰ দাবী কৰা যুৱচাম উৎকৰ্ষ সাধনাত বিফল হৈছে নেকি ?

৪/ জনমত মানে বুদ্ধিজীৱীৰ 'টিপ্পনি' আৰু সম্পাদকৰ সম্পাদকীয়হে বুজায় নেকি ? সাম্প্ৰতি ৰাজ্যখনৰ পৰিস্থিতিৰ সন্দৰ্ভত বুদ্ধিজীৱী সকলক বাদ দি বাকী জ্ঞানজেষ্ঠ, বয়োজেষ্ঠ সকল ভয় লগাকৈ নিৰব হৈ পৰিছে নেকি ?

৫/ যুৱচামৰ প্ৰতি আপোনাৰ কবলগীয়া তথা আহ্বান কি হ'ব ?

<u>উত্তৰ সমূহ ঃ</u>

আমি গৈ পোৱাৰ লগে লগে বানপীড়িত সকলৰ বাবে গভীৰ শোক প্ৰকাশ কৰি সাহাৰ্য্যৰ ইচ্ছাৰ ইংগিত দিয়া বসুন্ধৰা শইকীয়া আইতাই আমাৰ প্ৰথম প্ৰশ্নটোৰ উত্তৰত কলে ঃ

যুৱচামে শিক্ষা দীক্ষাৰে উপযুক্ত হৈ অহিংসা নীতিৰে দেশ তথা সমাজৰ সেৱা কৰাটো জাতিটোৱে বিচাৰে। শ্ৰীযুত ভাগৱতী চাৰে সমাজ পৰিবৰ্তনত যুৱচামৰ অনস্বীকাৰ্য্য ভূমিকা দোহাই দি নিৰপেক্ষ আৰু গঠনমূলক কাৰ্য্যাৱালীত গুৰুত্ব দিয়ে। মহছীন চাৰে প্ৰশ্নটোৰ উত্তৰত কলে " যুৱক-যুৱতী সকলে বৰ্তমানৰ ইচ্ছু সমূহৰ কাৰণ আৰু তাৎপৰ্য্য বিজ্ঞানসন্মত ভাৱে বিশ্লেষণ আৰু অনুধাৱন কৰিব পাৰিলে সমাধানৰ পথ নিশ্চয় পোৱা যাব। ৰোগৰ চিনাক্তকৰণৰ পিছতহে প্ৰকৃত চিকিৎসা সম্ভৱ।"

এই প্ৰশ্নটোৰ উত্তৰত ডিম্বেশ্বৰ গগৈ চাৰে কলে "যুৱশক্তি শ্ৰেষ্ঠ শক্তি । তৰল জ্ঞানে অস্থিৰ অশান্তিৰ সৃষ্টি



কৰিব। দূৰদৰ্শী, ফল প্ৰসাৰী, দূৰ্নীতিহীন সংগঠনৰ যোগেদি গভীৰ আলোচনা কৰি উপায় উদ্ভাৱন কৰিব।"

আমাৰ ২য় প্ৰশ্নৰ উত্তৰত বসুন্ধৰা শইকীয়াই কলে " যুৱ সমাজ সমাজৰ স্বাভাৱিক জীৱনৰ পৰা ফালৰি কাটি যোৱাৰ কাৰণ সমাজ পৰিৱেশ, প্ৰশাসন, অৰ্থনৈতিক সংকট বুলি মই ভাবো।"

মহছীন চাৰে কিন্তু কলে যে যুৱচামৰ যোল্ল আনাই দিক ভ্ৰান্তিত ভোগা নাই। তেখেতৰ মতে "মানুহক এটা আদৰ্শৰ প্ৰয়োজন। দুৰ্ভাগ্যবশতঃ আমাৰ সমাজত সুস্থ আদৰ্শৰ অভাৱ হৈছে। (যুৱচামক) প্ৰকৃত মূল্যবোধেৰে অনুপ্ৰানিত কৰি সমাজ আৰু দেশ গঢ়াৰ কামত লগাব পাৰিলে সমস্যাটো বহু পৰিমানে সমাধান হৈ যায়।"

ডিম্বেশ্বৰ গগৈয়ে কলে " সংঘাতে আনি দিয়ে জীৱনৰ নতুন তৰংগ। কেতিয়াবা সত্যক ৰক্ষা কৰিবলৈ অসত্যৰ আৰু অহিংসাক ৰক্ষা কৰিবলৈ হিংসাৰ আশ্ৰয় লব লগীয়া হয়।"

৩য় প্ৰশ্নৰ উত্তৰত বসুন্ধৰা শইকীয়াই ৰাজ্যখনত চলি থকা ভাতৃ হত্যা, বিস্ফোৰণ, অপহৰণ, লুণ্ঠণ, ধৰ্ষণৰ বাবে যুৱচামকৰ একাংশক দোষাৰোপ কৰে।

ভাগৱতী চাৰে যুৱচাম প্ৰকৃতাৰ্থত প্ৰগতিশীল হোৱাটো কামনা কৰে।

চৈয়দ মঃ মহছীন -" উৎকৰ্যৰ সাধনাৰ লগত প্ৰগতিশালতাৰ কিবা সম্পৰ্ক আছে বুলি মই এতিয়া লৈকে ভবা নাই। উৎকৰ্যৰ একনিষ্ঠা সাধক প্ৰতিক্ৰিয়াশীলতাৰো প্ৰবক্তা হব পাৰে। নিজকে প্ৰগতিশীল বুলি দাবী কৰিলেই কোনোবা প্ৰগতিশীল হৈ নাযায়। নিজৰ চিন্তা-চৰ্চা, ধ্যান -ধাৰণা আৰু কাম-কাজৰ মাজেৰে নিজৰ প্ৰগতিশীল মনোবৃত্তি প্ৰমান কৰিব লাগিব; আৰু জনসাধাৰণেও তাক গ্ৰহণ কৰিব লাগিব। ৰাইজেহে আচল বিচাৰক।"

আমাৰ ৪ৰ্থ প্ৰশ্নৰ উত্তৰত বসুন্ধৰা আইতাই ইয়াৰ বাবে আওপকীয়াকৈ অসমীয়া জাতিৰ জাতীয় এলাহক জগৰীয়া কৰে।

ভাগৱতীচাৰে বহুলাংশ জ্ঞানজেষ্ঠ, বয়োজেষ্ঠৰ নিলিপ্ত তথা লজ্জাজনক মৌনতা ৰ কথা অকপটে স্বীকাৰ কৰি লয়।

মহছীন চাৰে জনমত গঠনত বুদ্ধিজীৱিৰ একচ্ছত্ৰি অহমিকাপূৰ্ণ ভূমিকা অস্বীকাৰ কৰি কয় যে সৰ্বসাধাৰণ ৰাইজেও আজি প্ৰতিবাদী ৰূপ ধাৰণ কৰিছে। এই প্ৰশ্নৰ উত্তৰত ডিম্বেশ্বৰ গগৈ চাৰে কয় যে জ্ঞানী মানেই চৈতন্যবাদী নহয়, বহু জড়বাদীও আছে। চৈতন্যবাদী জেষ্ঠ সকলে প্ৰতিবাদ অব্যাহত ৰাখে যি কোনো পৰিবেশ পৰিস্থিতিত।

আমাৰ শেষৰ প্ৰশ্নৰ উত্তৰত বসুন্ধৰা আইতাই যুৱচামক শিক্ষা-দীক্ষাত গুৰুত্ব দি প্ৰতিযোগীতা মূলক ৰাষ্ট্ৰ ব্যৱস্থাত যুৱচামে নিজকে যোগ্য কৰি তুলিবলৈ আহ্বান জনায় (উল্লেখ্য যে আইতা নিজৰ আপোচহীনতাৰ বাবে খ্যাত ভাৰতীয় প্ৰশাসনিক বিষয়া অশোক শইকীয়াৰ মাতৃ) কয় "মই মাতৃ হিচাপে ভাবো সমাজৰ হত্যা, অপহৰণ, লুণ্ঠন আদি নাইকীয়া হওক।"

ভাগৱতী চাৰে যুৱচামে যি কোনো পদক্ষেপ আগবঢ়োৱাৰ আগমূহুৰ্ত্তত প্ৰতিটো দিশ গভীৰ ভাৱে অনুধাৱন কৰাত গুৰুত্ব দিয়ে।

চৈয়দ মঃ মহছীন চাৰে কয় " অধ্যয়ন আৰু বস্তুনিষ্ঠ আলোচনা আৰু কায়িক শ্ৰমৰ প্ৰতি শ্ৰদ্ধাৰ প্ৰয়োজন। যুৱ শক্তিয়ে সৃষ্টিশীল প্ৰয়োগৰ এটা বাতাবৰণ গঢ়ি তুলিব লাগিব।"

একেটা প্ৰশ্নৰ উত্তৰত ডিম্বেশ্বৰ গগৈ চাৰে কয় প্ৰচলিত শিক্ষা ব্যৱস্থাৰ অপূৰ্ণতাৰ দোহাই দি যুৱচামৰ সৎ, নিকা চৰিত্ৰ গঠনত গুৰুত্ব দিয়ে।


প্ৰশ্নোত্তৰ সম্পাদনাৰ মূহুৰ্ত্তত আমাৰ গভীৰ আশা - অন্তঃপৰক নিজৰ মতকে অসমীয়া জাতিৰ মত বুলি ভবা দুই এক বুদ্ধিজীৱিৰ অহামিকা বোধ, জ্ঞানজেষ্ঠ, বয়োজেষ্ঠৰ লজ্জাজনক নিৰ্লিপ্ততা, সুবিধাভোগী যুৱচাম আত্মকেন্দ্ৰীকতা আৰু আগবাঢ়ি যাওঁক তীব্ৰ গতিত নিপীড়িত মানুহৰ মুকুতিৰ সংগ্ৰাম সঠিক পথ আৰু সঠিক আঁচনিৰে। বাস্তবায়িক হওক শোষিত নিপীড়িতৰ সোনালী সপোন। ❑



OKDISCD

# কোনো দিনে কোনো কালে হোৱাতো নাছিল...

❐ বিমান হাজৰিকা



ইমান চেঁচা
হোৱাতো নাছিল তোমাৰ হাত
কোনোদিন কোনোকালে

এনেদৰেতো শুকুৱা নাছিল
ৰাজহুৱা পুখুৰী
ওভতি বোৱা নাছিল নদী
কোনো দিন কোনো কালে।

অ' মোৰ প্ৰিয়তম মানুহ
তুমিতো গোৱা নাছিলা
থান বান কৰি ভঙা
সপোনৰ গান।

অ' মোৰ প্ৰিয়তম মানুহ
তোমাৰ বাবেই মোৰ বুকুত সাঁচি ৰাখো
হেঁপাহৰ হেঙুল হাইতাল
তেজৰ কৰাল মছি
ফুল বোৰ ফুলি থাকিব দিয়া
হাঁহিবোৰ জীয়াই থাকিব দিয়া। ❐






# সতীৰ্থলৈ দুটা স্তৱক

❐ প্ৰতিভা শইকীয়া

শ্ৰমৰ বাবেই সভ্যতাৰ অস্তিত্ব
দীৰ্ঘদিনীয়া শ্ৰমৰ বাবেই
জীন গৈছো ঘামৰ গোন্ধত
সেয়েহে তুমি মই সমূহ সতীৰ্থই
আয়োজন কৰিছো 'হৃদয়ৰ উৎসৱ'।

অপ্ৰকাশিত বতৰাও
কেতিয়াবা ধ্বনিত হয়
কাৰোবাৰ মগজুত
ভাৱনাৰ উত্তাপত বলি উঠে
জুই হৈ জ্বলাৰ সম্ভাৱনাৰে
কেইটামান নিৰ্ভীক মগজু ।। ❐





ODISCD

**অনুভৱৰ টুকুৰা ঃ**

# মৃত্যুৰ আৱৰ্তত ....মই, কোলাহল .....

❒ পেইম থি গোহাঁই

**এক ঃ**



অকস্মাতে বৰষুণ জাক আহিল। আমি খেলা সামৰি ঘৰাঘৰি গলোগৈ। পদুলী পাওঁতেই সন্মুখীন হলো বেদনা-আৰ্ত কোলাহল। একাধিক মানুহে কন্দা এক কোৰাছ কান্দোন। ........ ককাৰ মৃত্যু হৈছে। ককাৰ বয়স ৭২, মোৰ ৮। কব পাৰি মোৰ জীৱনৰ প্ৰথম আঠবছৰ আৰু ককাৰ জীৱনৰ শেষ আঠবছৰৰ ডায়েৰি একেই। ....... মই দুৱাৰৰ ফাকেদি জুমি চাইছো এটা মৃত্যুক। ককা মোৰ লগত কোনোদিনে নেখেলিব, সাধুকথা নকব, উপদেশ নিদিব, মোৰ চৌপাশে কোনোদিন আৰু তেওঁ প্ৰস্তৰ মুৰ্তিৰ দৰে উপবিষ্ট নহব। ..... ককাৰ বেমাৰ আছিল যাৰ বাবে শেহৰ তিনি বছৰ জীয়াই থাকিবলৈ এক অৰ্থত কষ্ট হৈছিল আৰু সেইবাবে মাজে মাজে ককাৰ মৃত্যুৰ কামনা (কৰি) কৰা আলোচনা ঘৰত মাজে মাজে হৈছিল। হয়তো ময়ো অজানিতে ভাবিছিলো ককা নাথাকিলে অকলশৰীয়াহৈ যি যন্ত্ৰণা হ'ব তাতোকৈ ককাৰ যন্ত্ৰণা প্ৰত্যক্ষ কৰাটো মোৰ বাবে বেছি যন্ত্ৰণাদায়ক।

মৃত্যু জীৱনৰ বাবে মুক্তি নহলেও আমি মুক্তি বুলি ভাবিছিলো সেই মৃত্যুক। তেতিয়া মই কান্দিছিলো নে নাই ঠিক মনত নাই। আমি অতি সোনকালে ককাবিহীন ঘৰ এখনৰ পৰিৱেশ সৃষ্টি কৰি লব পাৰিছিলো য'ত 'নাই' 'হেৰাই গ'ল' জাতীয় দুখবোধৰ অনুস্বৰ নাছিল।

কিন্তু যদি স্বাস্থ্যবান হৈ থাকোতে ঢুকালেহেতেন, কোনো দুৰ্ঘটনাত পতিতহৈ মৃত্যু হ'লহেতেন, আততায়ীৰ গুলি খাই মৃত্যু হ'লহেতেন চিৰদিন এক অতৃপ্ততা থাকি গ'লহেতেন। বাৰে বাৰে মোৰ আবেগক ককাৰ স্মৃতিয়ে খুন্দিয়াই থাকিলেহেতেন

**দুই ঃ**

কলেজত সহপাঠী এজনৰ মৃত্যু হৈছিল। তেওঁ চিটিবাচত ওলমি গৈছিল। কিবাকাৰণত হাতটো এৰাই গৈ পৰি গৈছিল আৰু চকাটো বাগৰি গৈছিল তাৰ দেহাৰ ওপৰেদি। কলেজত মিশ্ৰিত কোলাহল হ'ল। কোনোবাই চিটি বাচ সেৰা ব্যৱস্থাটোক, কোনোবাই তেওঁক দোষ দিলে। শোকসভা পতা হ'ল, তেওঁৰ ঘৰলৈ এক সজাতি দ'ল গ'ল। সেইবছৰ কলেজৰ আলোচনী তাৰ



নামত উছৰ্গীত হ'ল।

....... এতিয়া লাহে লাহে পাহৰি পেলাইছো তাৰ স্মৃতি। তেওঁ মোৰ মতৰ বিপৰীত ধাৰাৰ মানুহ আছিল বা তেওঁৰ লগত বিশেষ ঘনিষ্ঠ নাছিল এনে বাবে নহয় মই তেতিয়া বিশ্বাস কৰিছিলো উক্ত মৃত্যু বহু পৰিমানে নিজৰ দোষৰ বাবে হৈছিল। অনেক সময়ত অনেক বাৰ তেনেদৰে ওলমি যোৱা মই দেখিছিলো।

"........ তেনেবোৰ ল'ৰা মৰি যোৱা ভাল" এই বুলি নহয় তথাপিও তেওঁৰ কথা বহু সময়ত পাহৰি যাব পাৰিছিলো। কোনো ধৰণৰ হৃদয়াবেগে মোক আন্দোলিত কৰা নাছিল। তেওঁৰ মৃত্যুত বাছৰ ড্ৰাইভাৰ জন ৰাজহুৱা প্ৰহাৰৰ মুখামুখি হৈছিল, থানাত জেলত থাকিব লগা হৈছিল। এই বিলাক স্মৃতিয়ে মাজে মাজে মোক আমনি কৰে। তেওঁৰ ঘৰত পৰিবাৰ আৰু তিনিবছৰীয়া ছোৱালী। তেওঁলোকেও চকুপানী টুকিছিল লগৰ ল'ৰাটোৰ মাকৰ দৰে। কিয় জানো ড্ৰাইভাৰৰ পৰিবাৰৰ চকুপানীহে মোৰ আপোন আপোন লাগিছিল।

**তিনি ঃ**

এটা কোলাহলে আজিও মোক আবৰি ৰাখে। ই উচ্চস্বৰত বাজি থকা কোনো হিন্দী চিনেমা গীততকৈও তীব্ৰ। অখণ্ড ভাগৱত পাঠৰ বিৰামহীন কণ্ঠস্বৰতকৈও। শব্দহীনতাতো মই প্ৰচণ্ড শব্দময় ঝংকাৰ শুনো, উপলব্ধি কৰো সেই শব্দৰ পিছত শব্দহীন কোলাহল।

সমদলৰ পিছত সমদল আগবাঢ়ি গৈ থাকে ঈশ্বৰৰ কাষলৈ। তাহানীতে ককাই বুজাইছিল এয়া মানুহৰ শ্মশান যাত্ৰা। দাহ সংকাৰ যাত্ৰা।

আজি এনে বহুত শ্মশান যাত্ৰাৰ সহযাত্ৰী হৈছো। বহুত যাত্ৰাৰ দৰ্শক হৈছো। মানুহবোৰ মৌন হৈ থাকে। আমিও বহুলাংশে মৌন, মুক। .......

তাহানিতে ককাৰ মৃত্যু হওতে মৃত্যুক মুক্তি বুলি ভাবিছিলো, সহপাঠী জনৰ মৃত্যুক বিশেষ প্ৰতিক্ৰিয়া হৃদয়ত আন্দোলিত নহ'ল কিন্তু আজি হেজাৰ হাজাৰ অচিনাকি লোকৰ মৃত্যুৰ আবেশত ম্ৰিয়মান হৈ পৰো। বন্দুকৰ শব্দত নিথৰ হৈ পৰা একোটা অচিনাকি ব্যক্তিৰ দেহ, তাৰ ওপৰত বাউলি হৈ পৰা অচিনাকি মা, অচিনাকি বাইদেউ, ভন্টিৰ মুখাবয়ত কল্পনা কৰি আজি অস্থিৰ হৈ পৰো। প্ৰতিটো দিনেই ডায়েৰি লিখিব নোৱাৰা হওঁ। কোনে কাৰ মুক্তি বিচাৰি, কোনে কাৰ শান্তি বিচাৰি এনেকৈ আমাৰ সভ্যতাক আদিম বৰ্বৰ কৰি পেলাইছে একো ভু লব নোৱাৰো, পাব নোৱাৰো। সেইবাবে বাৰে বাৰে নিজৰ নৈতিকতাক লৈ, দায়িত্বক লৈ প্ৰশ্ন কৰোঁ। জীৱনত অন্ততঃ এটা 'মৃত্যুক' প্ৰতিৰোধ কৰিব বিচাৰো আৰু প্ৰতিনিয়ত সময়তেই কামনা কৰো 'মৃত্যুক' প্ৰতিৰোধ কৰিব খোজা মমতাময় আবেগৰ উত্থান, কামনা কৰোঁ আৰু এক কোলাহল। .........

...... এই কোলাহল জীৱনৰ সংগীতময় মধুৰতাৰ। য'ত প্ৰেমৰ সুষমতাৰে জীৱন ফুলি উঠে। য'ত বন্দুক নাই, বিৰামহীন গীতা পাঠ নাই, শ্মশান শোভযাত্ৰা নাই।

**চাৰি ঃ**

এনে এক নতুন কোলাহলৰ বাবে মই উত্ৰাবল হৈ পৰিছো। প্ৰেমৰ হাত আগবঢ়াই ৰাখিছো। প্ৰতিটো মুহূৰ্ত্ততে প্ৰেমিক হবলৈ সাজু কৰি ৰাখিছো। ................

........ আশবাদী মন এটা লৈ সচাকৈয়ে ........... ❒



OKDISCD

## বিশেষ লেখনী

# আত্মনিয়ন্ত্ৰণৰ অধিকাৰ বনাম পুঁজিবাদী শাসন ব্যৱস্থা

□ জয়ন্ত বল্লভ শৰ্মা

সম্প্ৰতি বহুজাতিক ৰাষ্ট্ৰ ভাৰতবৰ্ষত যিধৰণে বিচ্ছিন্নতা, ক্ষুদ্ৰ জাতিসত্বাবোৰৰ আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ লৈ সমস্যাৰ উদ্ভৱ হৈছে দৰাচলতে এই সমস্যা ৰাজনৈতিক ক্ষমতাৰ কুট-কৌশল আৰু পুঁজিবাদী শ্ৰেণীৰ ষড়যন্ত্ৰৰ বাহিৰে আন একো নহয়। যেতিয়ালৈকে মানুহে সমাজ-তান্ত্ৰিক সমাজ ব্যৱস্থাই যে জাতি সমস্যা তথা স্খলিত মানুহৰ বৌদ্ধিক চিন্তা-উত্তৰণৰ এক মাত্ৰ পথ আৰু সেই পথৰ অৰ্থ অনুভৱ কৰিবলৈ চেষ্টা নকৰে তেতিয়ালৈকে কোনো সমস্যাই সমাধান হ'ব নোৱাৰে। পুঁজিবাদী গোষ্ঠীৰ শীতল চল-চাতুৰীত ক্ষমতাৰ বাবে বহতীয়া হৈ জীয়াই থাকে জনতাৰ চৰকাৰ। যি চৰকাৰে অন্ন, বস্ত্ৰ, বাসস্থান আদিৰ দৰে মানুহৰ প্ৰয়োজনীয় মৌলিক সমস্যাবোৰক আংশিক ভাৱে পূৰণ কৰি সেই শোষিত -নিপীড়িত শ্ৰেণীক মুৰ দাঙিব নোৱাৰাকৈ ৰাখিব পৰাটোৱে উদ্দেশ্য কৰি লয়। পিচে বৰ্ত্তমানৰ এই পৰিস্থিতিত বিচ্ছিন্ন প্ৰবনতা, ক্ষুদ্ৰ জাতি সত্বাবোৰৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ লৈ শাসক শ্ৰেণীৰ সতে যি সংঘৰ্ষ তাক দমন-পীড়ন, সামৰিক শক্তিৰে মষিমূৰ কৰাটো ৰাষ্ট্ৰযন্ত্ৰৰ এক বাতুলতাহে মাত্ৰ। কাৰণ ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই সৰ্ব্ব-সাধাৰণ নাগৰিকৰ ৰক্ষণা-বেক্ষণ মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰি পুঁজিবাদী গোষ্ঠীৰ আত্ম-স্বাৰ্থৰ মুনাফা লাভৰ বাবেহে উঠি পৰি লাগিছে। শোষিত জনগণে আজি বুজি উঠিছে অখণ্ড ভাৰত এক অৰ্থহীন ধাৰণাহে মাত্ৰ। যিমানে শোষক ৰাষ্ট্ৰযন্ত্ৰই এই ধাৰণা ভাৰতীয় শোষিত শ্ৰেণীৰ মনত জোৰকৈ সুমুৱাই দিবলৈ চেষ্টা কৰিছে সিমানেই ভাৰত ৰাষ্ট্ৰযন্ত্ৰৰ স্বৰূপ ক্ৰমশঃ এক মূল্যহীন শাসন ব্যৱস্থা বুলি প্ৰতিফলিত হ'ব ধৰিছে। এই খিনিতে বিচ্ছিন্নতাবাদৰ ওপৰত এটি কথা ক'ব পাৰি যে শোষিত-লুণ্ঠিত দেশৰ মানুহৰ মনত বিপ্লৱী সকলে স্বাধীনতাৰ স্পষ্ট ছবি এখনি দাঙি ধৰিব নোৱাৰিলেওঁ বা স্বাধীন ৰাষ্ট্ৰ এখন গঠন হলেই সি যে এখন সমাজতন্ত্ৰিক সমাজ ব্যৱস্থাত উজ্জীৱিত এখন পুঁজিবাদী শোষণ মুক্ত ৰাষ্ট্ৰ হব তাক জানো নদি কব পাৰিব? যদি হয় বিপ্লৱ সাৰ্থক হব। আনহাতে ক্ষুদ্ৰ জাতিবোৰে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ পালেই জানো সমস্যাৰ শেষ হয়? দেখা যায় স্ব-জাতিৰ ত্ৰানকৰ্তা ৰূপে আবিৰ্ভূত সেই চাম নেতাই ক্ষমতাৰ লোভত অন্ধ হৈ ৰক্ষকেই ভক্ষকৰ ৰূপ লৈ উঠে আৰু পুঁজিবাদী মনোভাৱেৰে ভণ্ড ৰাজনৈতিক নেতা, সুবিধাবাদী, বুদ্ধিজীৱী শ্ৰেণীটোৰ সৈতে চামিল হৈ পৰে। ফলত সেই ক্ষুদ্ৰ জাতিসত্বাবোৰৰ সহজ সৰল শোষিত নিপীড়িত মানুহৰবোৰ বাৰে বাৰে প্ৰতাৰিত হৈ থাকে। কাৰণ শোষক আৰু শোষিতৰ কোনো জাতি নাই ধৰ্ম নাই। সম্প্ৰতি দেখা দিয়া গোষ্ঠী সংঘৰ্ষ, সাম্প্ৰদায়িক সংঘৰ্ষ, আদি সকলো প্ৰশ্নই সাম্ৰাজ্যবাদী চক্ৰান্তৰ এক প্ৰতিফলন। সংকীৰ্ণ জাতীয়তাবাদী চিন্তাধাৰাত নিঃশেষ হৈছে বছ্নীযা, কুৰ্দ্দু, গ্ৰজনি সকলৰ মানৱীয় প্ৰমূল্যবোধৰ সৌধ। বুৰ্জোৱা জাতীয়তাবাদী শ্লোগানেৰে ছোভিয়েট ৰাচিয়াৰ দৰে বৃহৎ সমাজতান্ত্ৰিক দেশখন ভাঙি চিঙি টুকুৰা টুকুৰ কৰি দিয়া হল পিচে সংকীৰ্ণ জাতীয়তাবাদী চিন্তাধাৰা যে পূৰ্জিঁবাদী এক ৰণ কৌশল পুৰনি অবিভক্ত ৰাচিয়াৰ মানুহে অনুভব কৰিবলৈ লৈছে। বিচ্ছিন্নতাৰ অধিকাৰক ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই পুঁজিবাদী কৌশলেৰে একাংশ বিপ্লৱীৰ মূৰত বিলাসী আৰামপ্ৰিয় জীৱনৰ চিন্তা সুমুৱাই আত্মসমৰ্পনৰ নাটেৰে সেই পথ ভূল বুলি ভাৰতীয় মূল সুঁতিলৈ উভতি অহাৰ কথাক উচ্চ প্ৰশংসা কৰি জয়ঢোল কোবাইছে। ভূৱা গণতন্ত্ৰ আৰু শান্তিৰ বাণী উচ্চাৰি স্বাধীনতাৰ স্বৰ্ণজয়ন্তী উদ্‌যাপিত কৰিছে।

দেখা যায় স্ব-জাতিৰ ত্ৰানকৰ্তা ৰূপে আবিৰ্ভূত সেই চাম নেতাই ক্ষমতাৰ লোভত অন্ধ হৈ ৰক্ষকেই ভক্ষকৰ ৰূপ লৈ উঠে আৰু পুঁজিবাদী মনোভাৱেৰে ভণ্ড ৰাজনৈতিক নেতা, সুবিধাবাদী, বুদ্ধিজীৱী শ্ৰেণীটোৰ সৈতে চামিল হৈ পৰে। ফলত সেই ক্ষুদ্ৰ জাতিসত্বাবোৰৰ সহজ সৰল শোষিত নিপীড়িত মানুহৰবোৰ বাৰে বাৰে প্ৰতাৰিত হৈ থাকে।

জন সমৰ্থন আদায় আৰু বিপ্লৱৰ ক্ষেত্ৰত পুঁজিবাদী গোষ্ঠীৰ মনোভাব ভালদৰে অনুভৱ কৰিব নোৱাৰিলে বিপ্লৱ দৰাচলতে অৰ্থহীন হৈ পৰে। আত্মনিয়ন্ত্ৰণৰ ক্ষেত্ৰত লেনিন বাদে কৈছে যে উপনিবেশিক প্ৰাধান্য আৰু পৰাধীন দেশৰ নিৰ্য্যাতিত নিপীড়িত জনসাধাৰণৰ সম্পূৰ্ণভাবে বিচ্ছিন্ন হৈ যোৱাৰ অধিকাৰ আছে, প্ৰতিটো পীড়িত জাতিৰ স্বতন্ত্ৰ ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ অধিকাৰ আছে। কিন্তু কথা হ'ল বিচ্ছিন্ন বা ক্ষুদ্ৰ জাতি সত্বাই আত্মনিয়ন্ত্ৰণৰ অধিকাৰ পালেই যদি সৰ্বসাধাৰণৰ মানবীয় সমস্যা সমধান হ'লহেতেন সি নিশ্চয় গ্ৰহনীয় অথচ দেখা গৈছে পুঁজিবাদী গোষ্ঠীৰ শীতল ষড়যন্ত্ৰই তাত নকৈ সমস্যা সংঘাট সৃষ্টি কৰে।

অতীতলৈ উভতি গ'লে দেখো ১৪৭ ১ ১৫ আগষ্টত যেতিয়া বৃটিছ সাম্ৰাজ্যবাদী ইংৰাজে ভাৰতক স্বাধীনতা প্ৰদান কৰে তেতিয়া লৰ্ড মাউন্টবেটেনে জৱহৰ লাল নেহেৰু প্ৰমুখ্যে শীৰ্ষস্থানীয় নেতাসকলৰ লগত চৰ্ত সাপক্ষে স্বাক্ষৰিত কৰা চুক্তিত এইটো কথা পাওঁ যে ভাৰতবৰ্ষত বিনিয়োগ কৰা ষ্টালিং পুঁজিৰ স্বাৰ্থক ভাৰতৰ স্বাধীন চৰকাৰে সম্পূৰ্ণভাবে ৰক্ষণাবেক্ষণ দিব। দ্বিতীয়তে ষ্টালিং পুঁজিৰ বাৰ্ষিক আয় কোনো প্ৰতিবন্ধক নোহোৱাকৈ ইংৰাজে বাহিৰলৈ লৈ গৈ থাকিব, তৃতীয়তে ইংৰাজী ভাষা আৰু খৃষ্টান ধৰ্মৰ প্ৰচাৰৰ বাবে ভাৰতে কোনো বাধা প্ৰদান কৰিব নোৱাৰিব। আচলতে ভাৰতৰ বাবে ই পূৰ্ণ স্বাধীনতা নাছিল। যি চুক্তিয়ে ষ্টালিং পুঁজিৰ নিয়ন্ত্ৰণত থকা শস্যশ্যামলা, প্ৰাকৃতিক সম্পদৰ দৰে চহকী অসমৰ চাহ শিল্পক বেয়া ভাবে ক্ষতি কৰিলে। যিয়ে নেকি অসমবাসীৰ অজ্ঞাতে ষ্টালিং পুঁজিৰে অসমৰ প্ৰাকৃতিক সম্পদৰ ওপৰত দীঘলীয়া ব্যৱসায় ক্ষমতাৰ লোভে অন্ধ কৰা ভাৰত ৰাষ্ট্ৰযন্ত্ৰক অসমৰ ওপৰত মাধমাৰ। ইউনিলিভাৰ, ইনষ্কেপ আদিৰ দৰে বহুজাতিক গোষ্ঠীৰ আধিপত্যৰে ভাৰত হৈ পৰিছিল অৰ্ধ-উপনিবেশী ৰাষ্ট্ৰ। পুঁজিবাদী শোষণৰ এনে প্ৰক্ৰিয়াই ই সময়ত গৈ গৈ সাম্ৰাজ্যবাদ আৰু ভাৰতীয় প্ৰতিক্ৰিয়াশীল শ্ৰেণীসমূহৰ সতে জনসাধাৰণৰ সংঘাট আৰম্ভ হ'ল। যি সংগ্ৰামত স্পষ্ট ৰূপত ফুটি উঠিল বিভিন্ন জাতি সত্বাবোৰৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ - অনুসুচিত জাতি সমূহৰ সংগ্ৰাম, মাটি, খেতিৰ অধিকাৰ, কৃষি শস্যৰ উচিত মূল্যৰ বাবে প্ৰতিবাদ, শ্ৰমৰ মূল্যায়ন, দেশীয় সম্পদ লুণ্ঠনৰ প্ৰতিবাদ, শিক্ষা-বাণিজ্য-মেহনতী মানুহৰ জীৱনৰ প্ৰাপ্যৰ অধিকাৰ, নাৰীৰ ওপৰত কৰা বৈষম্যৰ বাবে নাৰী সংগ্ৰাম - ইত্যাদি। আজি মানুহে লুণ্ঠন আৰু শোষণৰ কৌশল বুজি উঠিছে। শোষক গোষ্ঠীৰ আজ্ঞাৱহ ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই সৰ্বহাৰা শ্ৰেণীৰ ওপৰত এনে ভাবে লুণ্ঠন শোষন চলাইছে যে খাটি খোৱা মানুহ আৰু ক্ষুদ্ৰ জাতি সত্বাবোৰে ভৱিষ্যত লৈ শংকিত হৈ উঠিছে। কিয়নো খিলঞ্জীয়া জাতি-জনগোষ্ঠী, গোৰ্খা, ঝাৰখণ্ডী, কাশ্মিৰী, পঞ্জাবী, নগা অসম আদিৰ ওপৰত পুঁজিবাদী কৌশলেৰে সমস্যা জীয়াই ৰাখি গণহত্যা, প্ৰাকৃতিক সম্পদ লুণ্ঠন নাৰী ধৰ্ষণ আদিৰে নিপীড়ন চলোৱা হৈছে। মুলকথা শোষণমুক্ত, সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাইহে জাতি সমস্যাকে ধৰি সকলো সমস্যা সমাধানৰ একমাত্ৰ পথ লগতে ত্ৰানকৰ্ত্তাই যেতিয়ালৈকে ভক্ষক হৈ নুঠে বা পুঁজিবাদী চলনাত ভোল নেযায় - বিপ্লৱ প্ৰতিবাদ সফল হ'বই। □

OKDISCD

# স্বপ্নহীন বৰ্তমান

☐ ইন্দ্ৰজিৎ বেজবৰুৱা

**সময়ৰ** কঠিন প্ৰত্যাহবান আহি পৰিছে, আজিৰ যুৱ-ছাত্ৰ সমাজলৈ। সমাজৰ আমূল পৰিবৰ্তন, ৰূপান্তৰৰ স্বপ্নত আতুৰ আজি যুৱ-ছাত্ৰ সমাজ, বৰ্তমান আৰু ভৱিষ্যতৰ কঠিন ক্ৰান্তি লগ্নত উপনীত হৈছে। স্বাভাৱিকতে যুৱ-ছাত্ৰ সমাজৰ ভূমিকাৰ প্ৰশ্নটোও আমাৰ বাবে জৰুৰী হৈ পৰিছে।

**অৰ্থনৈতিক অবিকাশৰ ফলত অসম তথা উত্তৰ পূৰ্ব্বাঞ্চলৰ পৰিবেশ আজি উত্তপ্ত হৈ পৰিছে। জনগোষ্ঠীয় সংঘাত, গোষ্ঠী সংঘৰ্ষ আৰু ঠায়ে ঠায়ে সাম্প্ৰদায়িক উত্তেজনাই শীৰ্ষবিন্দু অতিক্ৰম কৰিছে। ইয়াৰ সমান্তৰালভাৱে, যুৱ-ছাত্ৰ সমাজৰ একাংশই 'স্বাধীনতা'ৰ প্ৰস্তাৱ আগবঢ়াইছে আৰু প্ৰত্যক্ষ ভাৱে ভাৰত ৰাষ্ট্ৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে।**

সময়ৰ লেখেৰে ভাৰতবৰ্ষই স্বাধীনতাৰ স্বৰ্ণজয়ন্তী অতিক্ৰম কৰিলে। নানান চৰকাৰী বেচৰকাৰী প্ৰচাৰ মাধ্যম যোগে এই স্বৰ্ণজয়ন্তীৰ গুনানুকীৰ্তন ৰমক-জমককৈ প্ৰচাৰ কৰা হ'ল। কিন্তু ৰঙীন ছবিখনৰ আঁৰত লুকাই থকা যি নগ্ন বাস্তৱ, সেই বাস্তৱক অনুধাবন কৰাৰ প্ৰক্ৰিয়াৰ পৰা আঁতৰাই ৰখা হ'ল। উদাহৰণ স্বৰূপে, আমাৰ অসম তথা অসমৰ দাতি কাষৰীয়া সাতখন ৰাজ্যৰ বাস্তৱ পৰিস্থিতিক চোৱা যাওঁক। স্বাধীনতাৰ পঞ্চাছ বছৰৰ অন্ততো এই ভূখণ্ডত উদ্যোগিক আন্তঃগাঠনি তৈয়াৰ কৰা নহ'ল। কৃষি অৰ্থনীতিৰ বিকাশৰ পূৰ্ণ সম্ভাৱনাক নাকচ কৰি দিয়া হ'ল। আনহে নালাগে, বানপানী, ভূমিস্খলনৰ দৰে প্ৰাকৃতিক দুৰ্য্যোগকো নিয়ন্ত্ৰণৰ বাহিৰত ৰখা হ'ল। অৰ্থনৈতিক অবিকাশৰ ফলত অসম তথা উত্তৰ পূৰ্ব্বাঞ্চলৰ পৰিবেশ আজি উত্তপ্ত হৈ পৰিছে। জনগোষ্ঠীয় সংঘাত, গোষ্ঠী সংঘৰ্ষ আৰু ঠায়ে ঠায়ে সাম্প্ৰদায়িক উত্তেজনাই শীৰ্ষবিন্দু অতিক্ৰম কৰিছে। ইয়াৰ সমান্তৰালভাৱে, যুৱ-ছাত্ৰ সমাজৰ একাংশই 'স্বাধীনতা'ৰ প্ৰস্তাৱ আগবঢ়াইছে আৰু প্ৰত্যক্ষ ভাৱে ভাৰত ৰাষ্ট্ৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে।

স্বাভাৱিকতে এনে এক ক্ৰান্তি লগ্নত যুৱ-ছাত্ৰ সমাজৰ বাবে কেতবোৰ প্ৰাসংগিক প্ৰশ্ন উত্থাপিত হৈছে। সমাজৰ আমূল ৰূপান্তৰৰ প্ৰক্ৰিয়াত সকলো স্তৰৰ জনসাধাৰণৰ সক্ৰিয় সহযোগিতাৰ প্ৰয়োজন। এনে ক্ষেত্ৰত যুৱ সমাজে কেৱল অনুঘটকৰ ভূমিকাহে পালন কৰে। কিন্তু কেৱল যুৱ-ছাত্ৰ আন্দোলনে সমাজৰ ৰূপান্তৰৰ প্ৰক্ৰিয়াত অগ্ৰসৰ হব নোৱাৰে। বৰং বহু সময়ত এনে আন্দোলন বা উত্থানে স্বাভাৱিক বিকাশক ৰুদ্ধহে কৰা দেখা যায়। সত্তৰ দশকৰ উত্তাল নক্সালকাৰী আন্দোলনৰ পৰাও এই শিক্ষা ল'ব পৰা যায়। দেশীয় আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতি অনুকুল হোৱা স্বত্তেও নক্সালকাৰী ছাত্ৰ তথা ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত প্ৰচলিত ব্যৱস্থাৰ পৰিবৰ্তন বিচৰা শক্তি সমূহৰ বাবে, ই এক উল্লেখযোগ্য শিক্ষা।

আনহাতে ছোভেয়িট ৰাছিয়াৰ পতন তথা পূৱ ইউৰোপৰ সমাজ তান্তিক ৰাষ্ট্ৰ সমূহৰ পতনে, যুৱ-ছাত্ৰ সমাজৰ বাবে আন এক সংশয়ৰ প্ৰক্ৰিয়া কঢ়িয়াই আনিছে। আমাৰ পূৰ্ববৰ্তী বহু যুৱ প্ৰজন্মৰ বাবে মাৰ্স্কবাদ তথা ছোভিয়েট পন্থী সমাজবাদ, এক গভীৰ প্ৰত্যয় তথা প্ৰেৰণাৰ উৎস আছিল। কিন্তু আজিৰ যুৱ-ছাত্ৰ প্ৰজন্মৰ বাবে সি প্ৰেৰণাৰ কেন্দ্ৰবিন্দু হয়নে নহয় তাক বিচাৰ বিবেচনা কৰি চাব লাগিব। প্ৰশ্ন উত্থাপিত হৈছে মাৰ্স্কীয় ৰাজনীতি তথা ছোভিয়েট পন্থী সমাজবাদ সম্বন্ধে।

পৰিবৰ্তিত, বিশ্ব ৰাজনৈতিক প্ৰেক্ষাপাটেও কিছু চিন্তা যুৱ-ছাত্ৰ সমাজলৈ আনিছে। বিশ্ব ৰাজনীতি অৰ্থনীতি সমাজ তথা সাংস্কৃতিক ক্ষেত্ৰত আমেৰিকাৰ যি আগ্ৰাসন সি এক প্ৰলয়ংকাৰী ৰূপ ধাৰণ কৰিছে। বিশ্ববেংক 'গ্যেটচুক্তি' আদিৰ দ্বাৰা আমেৰিকাই বিশ্বব্যাপী 'নেটৱৰ্ক' গঢ়ি তুলিছে তাৰ কঠোৰ বন্ধনৰ পৰা মুক্তি পোৱাটো তৃতীয় বিশ্বৰ দেশৰ বাবে অসম্ভৱ হৈ পৰিছে। সেইদৰে আমেৰিকাই ইয়াৰ বজাৰ অৰ্থনীতি সম্প্ৰসাৰিত কৰিবৰ বাবে, তথাকথিত বিশ্বায়ন'ৰ যোগেদি এক ব্যাপক সাংস্কৃতিক 'নেটৱৰ্ক' গঢ়ি তুলিছে। স্বাভাৱিকতে বিশ্ব ৰাজনীতিৰ এই এক মেৰুকেন্দ্ৰী প্ৰেক্ষাপটে, যুৱ-ছাত্ৰ সমাজৰ বাবে এক প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। প্ৰশ্ন উত্থাপিত হৈছে অনগ্ৰসৰ তৃতীয় বিশ্বৰ দেশ সমূহৰ ভৱিষ্যৎ সম্বন্ধত।

অৱশ্যে বিশ্বৰ বিভিন্ন প্ৰান্তত বিশেষকৈ লেটিন আমেৰিকা আৰু দক্ষিণ পূৱ এচিয়াৰ দেশ সমূহৰ 'জাতীয় মুক্তি' ধাৰণাৰে এক তৃতীয় বিকল্পৰ সম্ভাৱনা উদগীৰণ হৈছে। নানা প্ৰতিকুলতাৰ মাজতো, এই ধাৰণাৰে ক্ষুদ্ৰ জাতি সত্বা সমূহৰ আত্মনিয়ন্ত্ৰণৰ প্ৰশ্নক বিচাৰ বিবেচনা কৰাৰ এক প্ৰায়োগিক প্ৰক্ৰিয়া পৰিলক্ষিত হৈছে। 'জাতীয় মুক্তি আন্দোলন'ৰ ক্ষেত্ৰত যুৱ-ছাত্ৰৰ ভূমিকাৰ সম্ভাৱনীয়তাক পৰ্য্যালোচনা কৰিব লাগিব।

আমাৰ প্ৰজন্মৰ বাবে, যুৱ-ছাত্ৰ সমাজৰ বাবে বৰ্তমানৰ যি স্বপ্নহীন পৃথিৱী, সেই পৃথিৱীত ভৱিষ্যতৰ সন্ধানৰ বাবে, সমাজ ৰূপান্তৰৰ বাবে তথা উত্তৰ প্ৰজন্মৰ বাবে আমি সন্ধান কৰিব লাগিব এক পথৰ। আৰু সেয়াই হ'ব আমাৰ প্ৰজন্মৰ স্বপ্নহীন পৃথিৱীত স্বপ্নলাভৰ অন্বেষণ। ☐

মাহেকীয়া আলোচনী
" বিতৰ্ক "
তথ্য সমৃদ্ধ আৰু যুক্তিপূৰ্ণ লেখনিৰে
দ্বিতীয় সংখ্যাৰ বিষয় ঃ
"গোষ্ঠী সংঘাত"
যোগাযোগ ঃ
সম্পাদক, বিতৰ্ক
প্ৰযত্নে - 'প্ৰাসংগিক'
পূৰশৰণীয়া প্ৰধান পথ
গুৱাহাটী -৩

OKDISCD

অন্য এক প্ৰসংগ

# বৰ্তমান যুৱ-সমাজত গঢ় লৈ উঠা গ্লেমাৰ জনক মানসিকতা

❑ দুলাল বৰা

বৰ্তমান সমাজত প্ৰতিটো ক্ষেত্ৰতে চলিছে তীব্ৰ প্ৰতিযোগিতা। প্ৰতিযোগিতাই এনে এক ৰূপ ধাৰণ কৰিছে যাৰ ফলত সমাজৰ এজনে আন জনক লেং মাৰিবৰ বাবে কুণ্ঠাবোধ নকৰা হৈছে। আজি আমাৰ সমাজলৈ প্ৰতিযোগিতাৰ নিদৰ্শনবোৰ আহিছে বিভিন্ন মাধ্যমবোৰৰ যোগেদি। এই মাধ্যম সমূহ আকৌ পৰিচালিত হৈছে সাম্ৰাজ্যবাদী গোটসমূহৰ দ্বাৰা। নিশ্চিত ভাৱে এই সাম্ৰাজ্যবাদী শক্তিসমূহে কেতিয়াও আমাৰ যুৱসমাজৰ সামগ্ৰীক কল্যাণৰ কথা চিন্তা নকৰে। কাৰণ এই যুৱ সমাজ প্ৰকৃতাৰ্থত সচেতন হৈ উঠিলে বিপদ সেই শক্তি সমূহৰে। যুৱসমাজ প্ৰকৃতাৰ্থত সচেতন হৈ উঠিলে তেওঁলোকৰ ঔপনিবেশিক কাৰ্যত ব্যাঘাট জন্মিব।

সেয়েহে এই শক্তি সমূহে তেওঁলোকৰ হাতৰ মুঠিত থকা বিভিন্ন মাধ্যম (টি.ভি, বাতৰি কাকত, ৰেডিও) সমূহৰ জৰিয়তে এনে কিছুমান প্ৰতিযোগিতামূলক ধাৰণা সমুৱাই দিবলৈ যত্ন কৰিছে য'ত কেৱল প্ৰচেষ্টা থাকে যিকোনো প্ৰকাৰে নিজকে শীৰ্ষ স্থানত তুলি ধৰাৰ। এনে ধাৰণাৰ জৰিয়তে এক ব্যক্তিকেন্দ্ৰিক আৰু স্বাৰ্থপৰ জীৱনৰ আৰাধনা কৰিবলৈ যুৱ-সমাজক উদ্‌গনি যোগাই আহিছে। এক বিলাসী জীৱন যাপন কৰিবলৈ প্ৰয়োজনীয় সীমিত সুবিধাকণ যেনেতেনে দখল কৰাই এনে প্ৰতিযোগিতাৰ মুখ্য উদ্দেশ্য। যিহেতু এটা বিলাসী জীৱন যাপন কৰাই প্ৰধান লক্ষ্য হৈ পৰে সেয়েহে এই প্ৰতিযোগীতাৰ নামত সকলো প্ৰকাৰৰ নীতি বৰ্হিভূত কাৰ্যত প্ৰবৃত্ত হবলৈকো কুণ্ঠাবোধ নকৰে।

'গ্লেমাৰ' - এই শব্দটো এটা ইংৰাজী শব্দ। ইয়াৰ অভিধানিক অসমীয়া অৰ্থ হৈছে "চকুত চমক লগাই বেয়াকো ভাল দেখুৱাব পৰা শক্তি" (B.N. Bhattachargya অভিধানৰ মতে)। যুৱ-সমাজত বৰ্তমান এই শব্দটোৰ প্ৰতি আযক্তি বহু বেছি পৰিমানে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আজিৰ যুৱ-সমাজৰ কিছু সংখ্যক যুৱক-যুৱতীয়ে নিজৰ গ্লেমাৰ বৃদ্ধিৰ বাবে বিভিন্ন ধৰণেৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ফলস্বৰূপে নামি পৰিছে এক তীব্ৰ প্ৰতিযোগিতালৈ। এইদৰে গ্লেমাৰৰ পিছত দৌৰাৰ বাবে তেওঁলোকে পাহৰি পেলাইছে তেওঁলোকৰ দায়িত্ববোধ আৰু স্বেচ্ছাচাৰী মনোভাৱ। লগতে তেওঁলোকে অপমানিত কৰিছে সৰ্ব-সাধাৰণ জনসাধাৰণক।

**১। সাংগঠনিক নেতৃত্বৰ জৰিয়তে ঃ**- বৰ্তমান যুৱ-সমাজ বিভিন্ন (সংসদীয় ৰাজনীতিৰ লগত জড়িত থকা বা নথকা) সংগঠন সমূহৰ প্ৰতি আকৰ্ষিত হোৱা দেখা গৈছে। সচাঁকৈয়ে ই আমাৰ বাবে অতিকৈ সুখবৰ। কিয়নো এনে সংগঠন সমূহৰ জৰিয়তে সৰ্ব-সাধাৰণ ৰাইজৰ নিশ্চয় কিবা নহয় কিবা প্ৰকাৰে কল্যাণ সাধানৰ প্ৰচেষ্টা কৰিব। কিন্তু শেহতীয়াভাৱে দেখা গৈছে যে বৰ্তমান যুৱ-সমাজে ( কিছু সংখ্যকক বাদ দি) বিভিন্ন সংগঠনৰ জৰিয়তে ৰাইজৰ কল্যাণকৰ কাম কাজ কৰাতকৈ নেতৃত্ব বহন কৰি নিজৰ গ্লেমাৰ বঢ়োৱাতহে বেছিকৈ গুৰুত্ব দিয়া হৈছে।

জনসাধাৰণৰ কল্যাণৰ বাবে জন্ম হোৱা সংগঠন মানে তাৰ নিৰ্দিষ্ট কিছুমান লক্ষ্য উদ্দেশ্য থাকে আৰু সেই লক্ষ্য উদ্দেশ্য সমূহ নিশ্চিত ভাৱে জনসাধাৰণৰ সমস্যা সমূহৰ সমাধানৰ বাবে লোৱা হয়। এই সংগঠন সমূহৰ নেতৃত্বত থকা বিষয়ববীয়া সকলে যদি স্বেচ্ছাসেৱী মনোভাৱ বাদ দি নিজৰ গ্লেমাৰ বঢ়োৱা মানসিকতাৰে গঢ়লৈ উঠে তেনেহলে এনে সংগঠন সমূহৰ পৰা অসমৰ সৰ্ব-সাধাৰণ ৰাইজে একো আশা কৰিব নোৱাৰে। এনে ধৰণৰ নেতৃত্ব থকা সংগঠন সমূহৰ জৰিয়তে জনসাধাৰণৰ ক্ষতিসাধন হোৱাৰ সম্ভৱনাহে প্ৰবাল।

**২। সংবাদ মাধ্যমৰ জৰিয়তে ঃ** সাম্প্ৰতিক সময়ত অসমৰ যুৱ-সমাজ সংবাদ মাধ্যমটোৰ প্ৰতি বাৰুকৈয়ে আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছে। নিশ্চিত ভাৱে ই অসমৰ বাবে এক গৌৰববোধৰ বতৰা। কিন্তু এইখিনিতে প্ৰশ্ন হয় এই যুৱক-যুৱতী সকলৰ প্ৰত্যেকৰে অন্তৰত বাৰু স্বেচ্ছাসেৱী মনোভাৱ আছেনে? তেওঁলোকে বাৰু প্ৰকৃততে অসমৰ সৰ্বসাধাৰণ ৰাইজৰ প্ৰকৃত ছবিখন দাঙি ধৰিব পৰা মানসিকতালৈ সংবাদ মাধ্যমৰ প্ৰতি আকৰ্ষিত হৈছেনে?

ব্যৱহাৰিক ক্ষেত্ৰখনলৈ সচেতন ভাৱে দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে কিছু সংখ্যক যুৱক-যুৱতীয়েহে প্ৰকৃত উদ্দেশ্যক আদৰ্শ হিচাপেলৈ সংবাদ মাধ্যমৰ লগত জড়িত হৈছে। বেছি সংখ্যক যুৱক-যুৱতী আকৰ্ষিত হৈছে গ্লেমাৰৰ আশাত আৰু নামি পৰিছে তীব্ৰ প্ৰতিযোগিতাত। তেওঁলোকে তাৰ বাবে বাছি লৈছে জনসাধাৰণৰ মনত উত্তেজনা আনিব পৰা অথবা সাম্প্ৰদায়িক মনোভাব সৃষ্টি কৰিব পৰা বাতৰি পৰিবেশন কৰাৰ পথ। ইয়াৰ জৰিয়তে এই যুৱক-যুৱতী সকলে জনসাধাৰণৰ মন অতি সহজে আকৰ্ষিত কৰিব পাৰে আৰু নিজৰ চিনাকি আনৰ আগত সহজে প্ৰকাশ কৰিব পাৰে। এনে ধাৰণেৰে গ্লেমাৰৰ বাবে কৰা প্ৰচেষ্টাৰ বাবে সৰ্বসাধাৰণ ৰাইজ বিবুদ্ধিত পৰাৰ আশংকা দেখা যায়।

**৩। মডেলিংৰ জৰিয়তে ঃ** 'মডেলিং' এই শব্দটো বৰ্তমান যুৱ-সমাজৰ প্ৰতিজন যুৱক-যুৱতীৰে অতি চিনাকি। মডেলিংৰ প্ৰতি যুৱ-সমাজ তীব্ৰভাৱে আকৰ্ষিত হোৱা দেখা পোৱা গৈছে। কাৰণ ইয়াৰ জৰিয়তে অতি সহজতে গ্লেমাৰ পোৱা যায়। বিভিন্ন প্ৰসাধন সামগ্ৰীৰ প্ৰতিস্থান আৰু মনোৰঞ্জন ধৰ্মী আলোচনী সমূহে এই যুৱক-যুৱতী সকলক মডেলিংৰ প্ৰতি আকৰ্ষিত কৰি আহিছে। এই প্ৰতিষ্ঠান বা আলোচনী সমূহে নিজৰ লাভা-লাভৰ উদ্দেশ্যে যুৱক-যুৱতী সকলক আগবঢ়াই দিছে নিজকে নগ্ন কৰি দেখুওৱাৰ প্ৰতিযোগিতালৈ। ইয়াৰ ফলত যুৱক-যুৱতী সকলৰ মনত এক সস্তীয়া যৌন আবেদন মূলক মানসিকতা গঢ় লৈ উঠিছে আৰু এক বিশৃংখল পৰিবেশৰ সৃষ্টি হৈছে।

সমাজৰ উঠি অহা এই যুৱ-সমাজকেই দেশৰ ধৰণী বুলি আখ্যা দিয়া হয়। জাতীয় আশা-আকাংক্ষা আৰু সপোনৰ থল হিচাপে গণ্য কৰা হয় তেওঁলোককেই। গতিকে এই অংশটোক বাদ দি জাতীয় প্ৰগতি কেতিয়াও সম্ভৱ নহয়। সেয়েহে এই যুৱ-সমাজক এক সুস্থ পথৰ সন্ধান দিয়াৰ ক্ষেত্ৰত আমাৰ সমাজখনে এক ইতিবাচক ভূমিকা পালন কৰিব লাগিব। ❑

# শঙ্কৰী আদৰ্শ ঃ মানবীয়তাৰে উৎকীৰ্ণ দৃষ্টিকোন



❑ সত্যকাম বৰঠাকুৰ

## শুভ সাংস্কৃতিক চেতনাৰ সন্ধানত ঃ

কাৰ্ল মাৰ্ক্সে কোৱা এযাৰ কথা আজিৰ পটভূমিত লিখক-আলোচক সকলে সততে ব্যৱহাৰ কৰা দেখা যায়; কথাযাৰ হ'ল " History Repeats itself twice " কিন্তু কথাযাৰৰ পাছৰছোৱাত কোনেও বৰকৈ গুৰুত্ব নিদিয়ে, যিচোৱা নহ'লে মাৰ্ক্সৰ কথাযাৰৰ ভুল ব্যাখ্যা হোৱাৰ সম্ভৱনা অতি প্ৰবল; এইচোৱা হ'ল - "time as trgedy and then as face the first time as tragedy and then as farce"

এতিয়া অসমত হেনো ইতিহাসৰ পুনৰাবৃত্তি হৈছে। কিন্তু এই পুনৰাবৃত্তিৰ পৰিণামত ৰাজনীতি আমাৰ সংস্কৃতিৰ পৰা আঁতৰি গৈ সুবিধাবাদীৰ হাতিয়াৰত পৰিণত হৈছে। সংস্কৃতি চৰ্চাৰ কেন্দ্ৰবোৰত হত্যাৰ ষড়যন্ত্ৰ ৰচা হৈছে। ধৰ্মই মানুহৰ খবৰ বহন কৰিবলৈ এৰি দিনে দিনে ভয়ঙ্কৰভাৱে সামন্তবাদী গোড়ামীৰ চতুৰ্গণ্ডীত সোমাই পৰিছে। এক সামাজিক, বৌদ্ধিক সাধনাৰ পৰিৱেশ এতিয়া ৰুদ্ধ হৈ পৰিছে। - এনে এক সময়ত আমাক লাগে এক শুভ - সাংস্কৃতিক চেতনাৰ জাগৰণ। -কিন্তু কোনে দিব এই জাগৰণৰ নেতৃত্ব -? আমাৰ আদৰ্শ হ'ব কোন?.এইটো আজিৰ পটভূমিত এটা বহুমূলীয়া প্ৰশ্ন।

## সুপ্ত বিত্তৰে দাৰিদ্ৰ ঃ

আমি - আজিৰ অসমীয়া মানুহবোৰে জ্ঞাত অথবা অজ্ঞাতভাৱে এক চুড়ান্ত হীনমন্যতাত ভুগিব ধৰিছোঁ। - সেই বাবেই এক চহকী সাংস্কৃতিক ঐতিহ্যৰ অধিকাৰী হৈয়ো আমি আজি প্ৰতিটো ক্ষেত্ৰত ভেবা লাগি চাই আছো পাশ্চাত্যৰ ভোগবাদী জগতখনৰ প্ৰতি। অৱশ্যেই পাশ্চাত্যৰ সংস্কৃতিত শিকিবলগীয়া বহুতো আছে, কিন্তু সেইয়া আমাৰ নিজৰবোৰ বাদ দি নহয়। আমাৰ নিজৰ থকাখিনিৰ ওপৰিঞ্চি প্ৰয়োজনীয়তাৰ বাবেহে আমি পাশ্চাত্যৰ



কায চাপিব লাগে। কিন্তু বাস্তৱত সেইয়া হৈ উঠা নাই। আমি নিজৰ ভালবোৰকো গুৰিয়াই -লঠিয়াই পাশ্চাত্যৰ বেয়াবোৰকো ভাল বুলি আদৰি লৈছো।

আজি শংকৰদেৱৰ দৰে ব্যক্তি যাৰ আদৰ্শ উল্লেখিত শুভ -সাংস্কৃতিক চেতনাৰ পাথেয় হ'ব পাৰে, তেনে মহান আদৰ্শকো আমি সমাধিস্থহে কৰিছো। আজিও শংকৰদেৱৰ আদৰ্শৰ মানবীয়তাৰ বাণীসমূহ অসমীয়াসকলে সমগ্ৰ ভাৰতবৰ্ষতে বিলাই দিব পৰা নাই। ইয়াতকৈ নাক কটা যোৱা কথানো আৰু কি হ'ব পাৰে?

## শঙ্কৰদেৱ, সামন্তবাদ আৰু গণতন্ত্ৰ ঃ

যুগধৰ্মই মানুহক শাসনৰ প্ৰণালী শিকায়। যি যুগত মানুহৰ জীৱন ধাৰনৰ প্ৰণালী যেনে - তাৰ লগত খাপ খোৱা শাসন প্ৰণালীয়েই মানুহে আৱিস্কাৰ কৰি লয়। শঙ্কৰদেৱৰ সময়ত অসমত সামন্তবাদী শাসন ব্যৱস্থাই বাৰুকৈয়ে খোপনি পুতিছিল। চৌদিশে সামাজিক শ্ৰেণী বিভাজনে ঠাই পাইছিল। এই সময়ত সমাজৰ উচ্চবৰ্ণ আৰু নিম্নবৰ্ণৰ মাজৰ দূৰত্বই আহি চুড়ান্ত শিখৰ পাইছিলহি। সমসাময়িক শাসন ব্যৱস্থাই যিদৰে জন্ম দিছিল এচাম শ্ৰমকাৰী মানুহৰ, সেইদৰে জন্ম দিছিল এচাম সুবিধাবাদীৰো - যি চামে এতিয়াও নিজৰ আভিজাত্য ত্যাগ কৰিব নিবিচাৰে। এনে এক সময়তে শঙ্কৰদেৱে অসমত ধৰ্মক মাধ্যম হিচাপে লৈ মানৱতাৰ জয়গান গাবলৈ আৰম্ভ কৰিছিল।

লক্ষণীয় বিষয় যে - শঙ্কৰদেৱৰ ধৰ্মৰ আন্তঃ গাঠনিয়ে যে যুগধৰ্মৰ প্ৰভাৱ স্বীকাৰ কৰিছিল, সেইয়া অস্বীকাৰ কৰাৰ উপায় নাই। অৰ্থাৎ শংকৰদেৱৰ ধৰ্মীয় সংগঠনতো যে সামন্তবাদী ধ্যান-ধাৰণাৰ প্ৰভাৱ পৰিছিল সেইয়া নিৰ্ঘাত সত্য। কিন্তু আচৰিত কথা যে, সেই সময়তে শংকৰদেৱে প্ৰগতিশীল গনতান্ত্ৰিক চেতনাৰো সূচনা কৰিছিল। যদিও সমকালীন দৃষ্টিৰে, সমাজ বা সংগঠন পৰিচালনাৰ ক্ষেত্ৰত শংকৰদেৱে বিভিন্ন শ্ৰেণীত মানুহক বিভাজন কৰিছিল, তথাপিও এই বিভাজন যেন সামন্তবাদী শাসন নীতিতকৈ গণতন্ত্ৰিক চেতনাৰ দ্বাৰাহে বেছিকৈ প্ৰভাৱিত হৈছিল। সকলোৱেই জানে যে শঙ্কৰদেৱে নগাৰ নৰোত্তম, মুছলমানৰ চান্দমাই, গাড়োৰ গোবিন্দ আদিকে ধৰি সেই সময়ৰ তথাকথিত জনজাতীয় অথবা অস্পৃশ্য জাতিৰ মানুহবোৰক শৰণ দিছিল। এই কথাই ইয়াকে সূচায় যে শঙ্কৰদেৱে সমকালীন সামন্তবাদী শাসনতন্ত্ৰৰ কুফলবোৰ তেতিয়াই উপলব্ধি কৰিছিল আৰু একেখন মঞ্চতে সকলো সমাৱেশ ঘটাই এক গণতান্ত্ৰিক চেতনাৰ উন্মেষ ঘটাইছিল। যদিও সামগ্ৰিকভাৱে শঙ্কৰদেৱৰ ধৰ্মীয় সংগঠন সামন্তবাদী ভাৱধাৰাৰেই গঠিত, তথাপি শঙ্কৰী দৰ্শন কিছু পৰিমানে সামন্তবাদৰ বিৰুদ্ধে এক বিপ্লৱী দৰ্শন বুলি ক'ব পাৰি। সত্ৰীয়া ধ্যান ধাৰণাৰ যোগেদি সামন্তবাদী ধ্যান ধাৰণাকে গতি দিছিল। তথাপি শঙ্কৰী দৰ্শন কিছু পৰিমানে সামন্তবাদৰ বিৰুদ্ধে এক বিপ্লৱী দৰ্শন বুলি কব পাৰি। 'নামঘৰ' গঠনৰ যোগেদি শঙ্কৰদেৱে প্ৰথমবাৰৰ বাবে অসমৰ সমাজত 'সকলো ব্যক্তিয়েই যোগ্যতানুসৰি সমাজত প্ৰাপ্য অধিকাৰ পাব লাগে' - এই কথাষাৰক মুকলিভাৱে সমৰ্থন কৰাই নহয়, বহুলভাৱে প্ৰচাৰো কৰে। অৱশ্যে সংস্কৃতি -চৰ্চাৰ স্বৰ্গভূমি সদৃশ সত্ৰ-পৰম্পৰাত বহু পৰিমাণে সামন্তবাদী ঐতিহ্য ৰৈ গ'ল। কিন্তু এই অৱশিষ্ট সামন্তবাদী পৰম্পৰাও শঙ্কৰদেৱৰ দোষ বুলি আমি ক'বলৈ যোৱা নাই, এইয়া নিতান্তই যুগধৰ্মৰ প্ৰভাৱ, আৰু লগতে, ধৰ্মীয় পৰিৱেশৰ আনুষঙ্গিক প্ৰয়োজনীয়তাত ইয়াৰ সতে জড়িত হৈ আছে।



OKDISCD

ভ্লাদিমিৰ উলিয়ানভে পাঠ্যক্ৰমৰ বাদেও অন্যান্য কিতাপ যথেষ্ট পঢ়াশুনা কৰিছিল। পুস্কিন, লেৰমণ্টভ, গোগল, তুৰ্গেনভ, নেক্ৰাছভ, ছালতিকভ, লিও তলস্তয়ৰ দৰে মহান ৰুচ মনিষীসকলৰ লিখনি, বেলিনস্কি, তের্নিছেভস্কি, পিৰাছেভ আদি মহান সাহিত্যিকৰ সাহিত্য যথেষ্ট মনোযোগেৰে পঢ়িছিল। উল্লেখযোগ্যে যে এই লিখকসকলৰ অধিকসংখ্যক কিতাপেই আছিল চৰকাৰীভাৱে নিষিদ্ধ। ৰুছিয়াত জাৰৰ স্বেচ্ছাচাৰিতা আৰু ভূমিদাস প্ৰথাৰ বিৰুদ্ধে লিখা এই কিতাপবিলাকৰ জৰিয়তেই ভ্লাদিমিৰে তেওঁৰ সংগ্ৰামী জীৱনৰ প্ৰাথমিক জ্ঞান আহৰণ কৰিছিল। চেৰ্নিছেভস্কিৰ "কৰ্ত্তব্য কি" নামেৰে কিতাপখনে ভ্লাদিমিৰক বৰকৈ আলোড়িত কৰিছিল। প্ৰগতিশীল ৰুচ সাহিত্য আৰু সমাজ জীৱন সম্পৰ্কীয় ৰচনাৱলীৰ অধ্যয়নেই চেমনীয়া ভ্লাদিমিৰৰ চৰিত্ৰ আৰু দৃষ্টিভংগী গঢ় দিয়াত যথেষ্ট সহায় কৰিছিল।

জাৰতন্ত্ৰী চৰকাৰৰ দিনৰ স্বেচ্ছাচাৰী শাসন, জমিদাৰৰ শোষণ নিপীড়ন, দৰিদ্ৰ কৃষক শ্ৰমিকৰ অৱস্থাই চেমনীয়া ভ্লাদিমিৰৰ মনত জগাই তুলিছিল সেই শাসকসকলৰ প্ৰতি তীব্ৰ ঘৃনা আৰু নিৰ্য্যাতিত সকলৰ প্ৰতি মৰম সহানুভূতি। বিদ্যালয়ত পঢ়ি থকা দিনতেই তেওঁৰ বিপ্লৱী মনোভাৱ প্ৰকাশ পাইছিল যাৰবাবে এবাৰ তেওঁৰ শ্ৰেণীৰ শিক্ষকে বহী চাই কৈছিল" বহীত তুমি এইবোৰৰ নিপীড়িত শ্ৰেণীৰ বিষয়ে কি বকলা মেলিছা - ইয়াত এইবোৰ সম্পৰ্ক কি?

চেমনীয়া কালতেই কঠোৰ ঘাট-প্ৰতিঘাটৰ মাজেৰে পাৰ কৰিব লগা হৈছিল দিনবোৰ। ১৮৮৬ চনত হঠাতে তেওঁৰ দেউতাক ঢুকাল। ভ্লাদিমিৰসহ পৰিয়ালটো প্ৰায় নিঠৰুৱা হোৱাৰ দৰে হ'ল। ভ্লাদিমিৰৰ ককায়েক আলেস্পনন্দ আছিল দৃঢ়মনা, সুচৰিত্ৰ গুনসম্পন্ন ডেকা। ভ্লাদিমিৰে বিভিন্ন বিষয়ত ককায়েকৰপৰাই যথেষ্ট অনুপ্ৰেৰণা পাইছিল। সেইসময়তে ৰুছিয়াত জাৰৰ অত্যাচাৰী শাসনৰ বিৰুদ্ধে জনগনে সংগ্ৰাম আৰম্ভ কৰিছিল। ভ্লাদিমিৰৰ ককায়েক আলেক্সন এই সংগ্ৰামত জপিয়াই পৰিল। কিন্তু অতি কম দিনৰ ভিতৰতে জাৰৰ বাহিনীৰ হাতত ভ্লাদিমিৰৰ ককায়েকে গ্ৰেপ্তাৰ হ'ল। দেউতাক ঢুকোৱাৰ কিছুদিন পাছতেই পৰিয়ালটোলৈ নামি আহিছিল সেই শোকবাহ দিনটো, যিটো দিনত (১৮৮৭ চনৰ ১৬ মে') সম্ৰাট তৃতীয় আলেস্পান্দৰক হত্যা কাৰাৰ ষড়যন্ত্ৰত লিপ্ত বুলি অভিযোগ তুলি ভ্লাদিমিৰৰ ককায়েক আলেস্পন্দৰ উলিয়াভক ফাঁচি দিয়া হ'ল। দেউতাকৰ পাছত ভ্লাদিমিৰে প্ৰেৰণাদাতা, পথনিৰ্দেশক এজন অভিভাৱকক হেৰুৱালে। ককায়েকৰ ফাঁচীয়ে ভ্লাদিমিৰৰ মনত বৰকৈ আঘাট দিলে, যদিও বিপ্লৱী সংগ্ৰামৰ বাবে নিজক প্ৰস্তুত কৰাৰ বাবে দৃঢ় সংকল্প ললে। স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে ৰুচিয়াত আৰম্ভ হোৱা সংগ্ৰামত চলা হত্যাবাজৰ বিপৰীতে নতুন পথৰ সন্ধান কৰিলে ভ্লাদিমিৰে। মেহনতী জনগনৰ মুক্তিৰ বাবে ভিন্ন পথৰ সন্ধান কৰিবলৈ যাওতে তেওঁ বিশেষভাৱে আগ্ৰহী হৈ উঠিল সামাজিক বিজ্ঞানৰ ক্ষেত্ৰত। একেসময়তে বিদ্যালয়ৰ শিক্ষা সাং কৰি ১৮৮৭ চনৰ আগষ্ট মাহত কাজান বিশ্ববিদ্যালয়ৰ আইন বিভাগত ভৰ্ত্তি হ'ল। বিশ্ববিদ্যালয়ত আহি বিপ্লৱী চিন্তা চৰ্চ্চাৰ পাতনি মেলিলে আৰু নতুন চিন্তাৰে উদ্বুদ্ধ ছাত্ৰসকলৰ লগত কাম কাজ আৰম্ভ কৰিলে। যাৰবাবে ১৮৮৭ চনতে এখন ছাত্ৰসভাত অংশগ্ৰহণ কৰাৰ অভিযোগত বিশ্ববিদ্যালয়ৰপৰা বহিষ্কাৰ কৰিলে। তাৰ পাছত তেওঁ চৰকাৰী বাহিনীৰ হাতত গ্ৰেপ্তাৰ হ'ব লগা হ'ল। জেললৈ নিয়াৰ বাটত সশস্ত্ৰ বাহিনীটোৰ বিষয়াজনে লেনিনক কৈছিল - " এনেকৈ বিৰুদ্ধাচৰণ কৰি লাভ কি, চেঙেলীয়া ডেকা? নাজানা জানো, মুৰকত গৈ তোমাৰ সন্মুখত সেই একেখন দেৱালকে পাবা।" উত্তৰত কিশোৰ লেনিনে কৈছিল - " এৰা, পিছে দেৱালখন একেবাৰে পচি উৰলি যোৱা, ঠেলা মাৰিলেই ই ভাগি পৰিব।"

এনেকৈয়ে স্বেচ্ছাচাৰীতাৰ বিৰুদ্ধে বিপ্লৱী সংগ্ৰামত নামি পৰিছিল ১৭ বছৰীয়া ভ্লাদিমিৰ উলিয়ানভ লেনিন। ❑





# বিলুপ্ত সৰীসৃপ

❑ অৰ্ণব গায়ন

যি সময়ত সৰীসৃপবোৰ আটাইতকৈ গুৰুত্ব পূৰ্ণ প্ৰাণী আছিল সেই সময়ক সৰীসৃপ যুগ বুলি কোৱা হয়। এই যুগ দুশ ষাঠি নিযুত বছৰ আগৰ পৰা সত্তৰ নিযুত বছৰ আগলৈকে ব্যাপ্ত আছিল। তাৰে কিছুমান সৰীসৃপ পৃথিৱীৰ বুকুৰ পৰা বিলীন হৈ গ'ল। ইয়াত আমি এই বিলুপ্ত সৰীসৃপবোৰৰ বিষয়ে আলোচনা কৰিবলৈ ওলাইছো।

<u>ডাইন'ছৰাছ</u> ঃ আটাইতকৈ ডাঙৰ লুপ্ত সৰীসৃপবোৰেই হৈছে ডাইন'ছৰাছ। এই ডাইন'ছৰাছবোৰক বিভিন্ন প্ৰজাতিত ভাগ কৰা হৈছে। তাৰে ভিতৰত উল্লেখযোগ্য বিলাক হ'ল-

(ক) <u>ব্ৰেকিঅ'ছৰাছ</u> ঃ ই আটাইতকৈ ডাঙৰ ডাইন'ছৰাছ। ইয়াৰ ওজন ৮০ টনতকৈ অধিক আছিল। ইয়াৰ দৈৰ্ঘ্য প্ৰায় ২৪ মিটাৰ। ই চাৰিঠেঙীয়া।

(খ) <u>ডিপ্ল'ডকাছ</u> ঃ ই ব্ৰেকিঅ'ছৰাছৰ সমান আয়তনৰ। ই তৃনভোজী। ইহঁতে ঢেকীয়া আৰু ছাইকাইড অৰন্যৰ মাজেদি খোজ কাঢ়িছিল। ডিঙি আৰু নেজ দীঘল আছিল।

(গ) <u>ষ্টিগ'ছৰাছ</u> ঃ এইবিধ সৰীসৃপ সৰু আছিল। ইহঁতৰ দীঘ আছিল মাত্ৰ সাত মিটাৰ। ইয়াৰ পিঠিখন দুপাৰি তিনিকোণীয়া হাঁড়ময় প্লেটেৰে সুৰক্ষিত আছিল। নেজত আছিল গজালৰ দৰে দুযোৰ মজবুত গঠন।

এইবিলাকৰ উপৰিও ট্ৰাইছেৰাটপ্‌ছ, ইগুৱান'ডন হেড্ৰ'ছৰ বিলাক উল্লেখনীয়। হেড্ৰ'ছৰবিলাকৰ দাঁতৰ সংখ্যা ৩০০০ টা।

<u>বৃহৎ সামুদ্ৰিক সৰীসৃপ</u> ঃ বহুতো সৰীসৃপ সমুদ্ৰবাসী আছিল। প্লিছিঅ'ছৰাছে কাছৰ দৰে হাত সদৃশ অংগৰ সহায়েৰে সাঁতুৰিছিল। সিহঁতৰ ডিঙি দীঘল। খাদ্য মাছ আৰু স্কুইড। প্লায়'ছৰাছৰ চুটি ডিঙি আৰু ডাঙৰ মুৰ আছিল। সিহঁতৰ খাদ্য হৈছে আন সৰু সৰু সৰীসৃপ। প্লিছিঅ'ছৰাছে কণী পাৰিবৰ বাবে সমুদ্ৰৰ তললৈ গৈছিল। দেখাত শিছুৰ দৰে লগা ইক্‌থায়'ছৰে সমুদ্ৰতে পোৱালী জন্ম দিছিল।

<u>উৰণীয়া সৰীসৃপ</u> ঃ ষ্টৰ'ছৰবোৰ উৰণীয়া সৰীসৃপ। সিহঁতৰ ডেউকাবোৰ আছিল কেইকোঁচমান দৃঢ় পাতল ছাল। কিছুমানৰ নেজ দীঘল আৰু কিছুমানৰ চুটি। সিহঁত দেখাত বাদুলিৰ দৰে আৰু সৰুবোৰ ঘৰচিৰিকাৰ নিচিনা আছিল। ইহঁতৰ মাংসপেশী ইমান দুৰ্বল আছিল যে সিহঁতে ডেউকা কোবাই উৰিবও নোৱাৰিছিল।

এসময়ত গোটেই পৃথিৱীত প্ৰলয়ৰ সৃষ্টি কৰা এই সৰীসৃপবোৰ কেনেকৈ পৃথিৱীৰ বুকুৰ পৰা হেৰাই গ'ল সেইবিষয়ে এতিয়াও সঠিককৈ জানিব পৰা হোৱা নাই। ❑

**[লেখকৰ ঠিকনা ঃ সপ্তম শ্ৰেণী, নগাওঁ চৰকাৰী উ ঃ মা ঃ বালক বিদ্যালয়।]**



OKDISCD